


গুৱাহাটী আৰু নগাঁৱৰ পৰা প্ৰতি শুকুৰবাৰে প্ৰকাশিত সাপ্তাহিক

সামাজিক প্ৰয়োজন পূৰণৰ প্ৰতিশ্ৰুতিৰে

R.N.I. Regn. No. ASSASS/2013/54226

# অসম প্ৰবাহ

শুকুৰবাৰ ● ৫ ছেপ্টেম্বৰ ২০২৫/১৯ ভাদ ১৯৪৩ শক ● দাম ৫.০০ টকা ● চতুৰ্দশ বছৰ
● সংখ্যা - ২০ ● Vol - 14, Issue - 20

# জীৱিকা সখীসকল সকলোতে মূলাগাভৰু হ'ব লাগিব ঃ ড° শৰ্মা

## খানাপাৰাত 'সখী এক্সপ্ৰেছ' আঁচনিৰ অধীনত ৯৭০৪ গৰাকী 'কমিউনিটি কেডাৰ'লৈ স্কুটাৰ আৰু আজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনাৰ অধীনত 'ক্লাষ্টাৰ লেভেল ফেডাৰেশ্যন'লৈ ৫১ খন ব্যৱসায়িক বাহন প্ৰদানৰ আনুষ্ঠানিক শুভাৰম্ভ মুখ্যমন্ত্ৰীৰ



**দিছপুৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ পশুচিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত এক অনুষ্ঠানত 'সখী এক্সপ্ৰেছ' আঁচনিৰ অধীনত ৰাজ্যিক জীৱিকা অভিযানৰ ৯,৭০৪ গৰাকী 'কমিউনিটি কেডাৰ'লৈ স্কুটাৰ প্ৰদান আৰু আজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনাৰ অধীনত 'ক্লাষ্টাৰ লেভেল ফেডাৰেশ্যন'লৈ ৫১ খন ব্যৱসায়িক বাহন প্ৰদান কাৰ্যসূচীৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উল্লেখ্য যে, ৰাজ্য চৰকাৰে ২০২০-২১ বৰ্ষৰ বাজেটত সকলো জীৱিকা সখীক স্কুটাৰ প্ৰদানৰ উদ্দেশ্যে সখী এক্সপ্ৰেছ নামৰ এখন আঁচনি গ্ৰহণৰ কথা ঘোষণা কৰিছিল। ২০২২-২৩ বৰ্ষত এই পদক্ষেপৰ সম্প্ৰসাৰণ ঘটাই জীৱিকা সখীৰ উপৰি পশু সখী, কৃষি সখী, বেংক সখী, বীমা সখী, চিআৰপি-এণ্টাৰপ্ৰাইজ প্ৰমোশ্যন, মাষ্টাৰ বুক কিপাৰ, ইণ্টাৰনেল মেণ্টৰ, এমচিপি ট্ৰেইনাৰ, বিডিএছপি আদি সকলো কেডাৰকে কমিউনিটি কেডাৰ হিচাপে



সামৰি লোৱা হয়। আঁচনিখনৰ অধীনত ২০২০-২১ আৰু ২০২১-২২ বৰ্ষত ১০,৯০৮ গৰাকী কমিউনিটি কেডাৰে স্কুটাৰ লাভ কৰা বিপৰীতে ২০২৪-২৫ আৰু ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে ৯,৭০৪ গৰাকী সামূহিক কেডাৰক স্কুটাৰ প্ৰদানৰ প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হয়। এনে প্ৰতিগৰাকী কেডাৰে স্কুটাৰৰ লগতে একোটাকৈ হেলমেট লাভ *১০ পৃষ্ঠাত*

# দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ সকাহৰ বাবে যথাসম্ভৱ সকলো সহায় আগবঢ়াবলৈ আমি প্ৰস্তুত ঃ মুখ্যমন্ত্ৰী


**দিছপুৰ ঃ** ৰাজ্যৰ নাৰী সমাজক সবলীকৰণৰ জৰিয়তে তেওঁলোকক পৰিৱৰ্তনৰ বাহকৰূপে গঢ়ি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত পাথাৰকান্দি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ সদ্যাসকললৈ চেক প্ৰদানৰ শুভাৰম্ভ কৰে। আজিৰ এই অনুষ্ঠানত পাথাৰকান্দি সমষ্টিৰ ১৫,৬৭১ গৰাকী আত্মসহায়ক গোটৰ সদস্যালৈ ১০ হাজাৰ টকাৰ ধনৰাশিৰ চেক প্ৰদান কৰা হয়। ইয়াৰে ৮,৪২৯ গৰাকী হিতাধিকাৰী হৈছে লৱাইৰপুৱা উন্নয়ন খণ্ডৰ আৰু ৭,২৪২ গৰাকী হৈছে পাথাৰকান্দি উন্নয়ন খণ্ডৰ অন্তৰ্গত। এই উপলক্ষে প্ৰদান *১০ পৃষ্ঠাত*

# হোজাইত অসমৰ মুখ্যমন্ত্ৰীয়ে 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ ৩১,৯১০ গৰাকীক চেক প্ৰদান

**বিশ্ববিদ্যালয় গৃহ উদ্বোধন, গীতা আশ্ৰম মুকলি**

**মুকুল গোস্বামী, লংকা ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই হোজাই জিলা উপস্থিত হয়। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত আয়োজিত এক বিশাল জনসভাত অংশগ্ৰহণ কৰি 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা' প্ৰকল্পৰ অধীনত হোজাই বিধান সভা সমষ্টিৰ মুঠ ৩১,৯১০ জন মহিলা সদস্যক আনুষ্ঠানিকভাৱে চেক প্ৰদান কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী অনুদানত পোৱা ধন অপচয় কৰাৰ পৰিৱৰ্তে অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয় যে এই ১০ হাজাৰ টকা মাত্ৰ আৰম্ভণিহে। ক্ৰমান্বয়ে ৫০ হাজাৰলৈ বৃদ্ধি কৰা হ'ব। তেওঁ কয় যে ১৭ ছেপ্টেম্বৰত সকলো নতুন আৰু পুৰণি অৰুণোদয় হিতাধিকাৰীয়ে আৰ্থিক হিতাধিকাৰীৰ ধন লাভ কৰিব। এতিয়া ৰেচন কাৰ্ডত কেৱল চাউলহে উপলব্ধ হোৱাৰ বিপৰীতে ১ নৱেম্বৰৰ পৰা চাউলৰ সৈতে অতিৰিক্ত চেনি, দালি আৰু নিমখ কম মূল্যত উপলব্ধ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। হোজাই জিলাৰ শ্ৰীমন্ত শংকৰদেৱ নগৰত আয়োজিত বিশাল জনসভাত মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ বিভিন্ন কল্যাণমূলক আঁচনিৰ ওপৰত আলোকপাত কৰি চৰকাৰক সহযোগিতা কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰী হোজাই শ্ৰীমন্ত শঙ্কৰদেৱ নগৰৰ বৰবহাৰ খেলপথাৰত হেলিকপ্টাৰে আহি উপস্থিত হৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ নগৰৰ *১০ পৃষ্ঠাত*


*গ্ৰন্থপ্ৰেমী সকলে কিতাপখন পঢ়িবৰ বাবে 7002101231 আৰু 9435518294 নাম্বাৰত যোগাযোগ কৰক।*




# অসমৰ উদ্যোগীকৰণৰ বিকাশৰ বাবে গুৱাহাটীত আৰম্ভ হৈছে আগশাৰীৰ আন্তৰ্জাতিক

## ব্যৱসায় প্ৰশিক্ষণ সংস্থা 'একচনকোচ' (ActionCOACH)

**গুৱাহাটী ঃ** ১১০খন দেশত উপস্থিত থকা বিশ্বৰ আগশাৰীৰ ব্যৱসায় প্ৰশিক্ষণ সংস্থা একচনকোচৰ আনুষ্ঠানিকভাৱে গুৱাহাটীত মুকলি কৰা হয়। গুৱাহাটীৰ এৰিষ্টা-বাই-এম্বিচন (Arista by Ambition) হোটেলত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত নেতৃত্ব দিয়ে একচনকোচ (উত্তৰ-পূৰ্বভাৰতৰ) মুখ্য কাৰ্যবাহী *১০ পৃষ্ঠাত*



# শিৱসাগৰত সাংবাদিক মেনেজ কৰাৰ নামত তেলচোৰ চক্ৰৰ পৰা ৬ লাখ টকা উৎকোচ লোৱাৰ অভিযোগত গ্ৰেপ্তাৰ সংবাদদাতা আশ্ৰফুৰ ৰহমান

**বিশেষ প্ৰতিনিধি, শিৱসাগৰ ঃ** ঐতিহাসিক শিৱসাগৰত খাৰুৱা তেল চুৰি কৰা কুখ্যাত অপৰাধী স্মাগলাৰ চক্ৰৰ পৰা ৬ লাখকৈ টকা উৎকোচৰ ধন সংগ্ৰহ কৰা শিৱসাগৰৰ প'ৰ্টেলৰ সংবাদদাতা আশ্ৰফুৰ ৰহমানক অৱশেষত যোৱা ৩১ আগষ্টত শিৱসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। পলাতক অৱস্থাত আছে আন এটা অভিযুক্ত আশ্ৰফুৰ ৰহমানৰ পাৰ্টনাৰ আটাছু নেতা পাপু বুঢ়াগোহাঁই। উল্লেখযোগ্য যে, শিৱসাগৰ সদৰ আৰক্ষীয়ে বিয়লি শিৱসাগৰ অসামৰিক চিকিৎসালয়ত আশ্ৰফুৰৰ আইনী স্বাস্থ্য পৰীক্ষা কৰোৱায়। ইয়াৰ পাছত সন্ধিয়া ৰহমানক শিৱসাগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ বিশেষ আদালতত হাজিৰ কৰোৱা হয়। শিৱসাগৰ নগৰৰ উপকণ্ঠ আমগুৰি গাঁৱৰ নিৱাসী নিয়মীয়া বাৰ্তাৰ পৰা খেদা খোৱা সংবাদদাতা আশ্ৰফুৰ ৰহমানৰ বিৰুদ্ধে শিৱসাগৰ সদৰ আৰক্ষী থানাত পঞ্জীয়ন হোৱা গোচৰ ( Sibsagar Sadar P/S Case No _ 119/ 25 _ U/S- 62 (2) , 305 (C), 287/ 288 / 125 (B), BNS 23 of Indian Petroleum Act. // Additional charges = ES Act of BNS _ Section 3/ 4/ 5 আৰু EC Act_ Section 07 ) ৰ আধাৰত শিৱসাগৰ আৰক্ষীৰ তদন্তকাৰী বিষয়াৰ দলে আদালতৰ ওচৰত অভিযুক্তক অধিক জেৰাৰ বাবে পাঁচ দিনৰ অতিৰিক্ত আৰক্ষী জিম্মাৰ বাবে আবেদন কৰিছিল। সেইমৰ্মে মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতে অৱশেষত তেলচোৰ চক্ৰৰ বিশেষ ঘনিষ্ঠ আশ্ৰফুৰক দুদিনৰ বাবে আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে। আনহাতে ২ ছেপ্টেম্বৰত তেওঁক পুনৰ আদালতত হাজিৰ কৰোৱা হয় বুলি জানিব পৰা গৈছে। উল্লেখ্য যে, যোৱা ৩০ আগষ্টত শিৱসাগৰ আৰক্ষীৰ বিশেষ অভিযানকাৰী দলে শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শুভ্ৰ জ্যোতি বৰাৰ নিৰ্দেশত শিৱসাগৰ আৰক্ষীৰ আই বি আই ইন্সপেক্টৰ উৎপল দত্ত, জয়সাগৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া জ্যোতিষ্মান বৰা, যান বাহন শাখাৰ বিদ্যুৎ বিকাশ মৰাণ, প্ৰদীপ চেতিয়া আৰু দেৱজিৎ বুঢ়াগোহাঁইৰ আৰক্ষীৰ দলটোৱে যোৱা শনিবাৰে টিঙৰাইৰ পৰা জেলিল আহমেদ আৰু হামিদ আলী নামৰ কুখ্যাত তেলচোৰ দুটাক গ্ৰেপ্তাৰ কৰিছিল। গ্ৰেপ্তাৰ হোৱা অভিযুক্ত তেলচোৰ মাফিয়া স্মাগলাৰে শিৱসাগৰ আমগুৰি গাঁৱৰ নিৱাসী সাংবাদদাতা আশ্ৰফুৰ ৰহমানক "Reporter Manage Money" হিচাপে নগদ ৬ (ছয়) লাখ দিছিল বুলি Police Custody ত বৃহৎ সংখ্যক মিডিয়া, আৰক্ষী, ৰাইজৰ সন্মুখত ৰাজহুৱাকৈ স্পষ্ট ভাষাৰে কৈছিল। তেলচোৰৰ অভিযোগৰ ভিত্তিত যোৱা ৩১ আগষ্টৰ নিশা শিৱসাগৰ সদৰ আৰক্ষীয়ে সংবাদদাতা আশ্ৰফুৰ ৰহমানক গ্ৰেপ্তাৰ কৰিছিল। শিৱসাগৰ জিলাৰ আৰক্ষী অধীক্ষক শুভ্ৰ জ্যোতি বৰাৰ সৱল নেতৃত্বত শিৱসাগৰ জিলাৰ বিভিন্ন অসামাজিক অসাধু অপৰাধী চক্ৰৰ বিৰুদ্ধে বৰ্তমান আৰক্ষীয়ে কঠোৰ আইনগত বিহিত ব্যৱস্থা গ্ৰহণ কৰাত শিৱসাগৰৰ সচেতন নাগৰিকসকলে শিৱসাগৰ আৰক্ষীৰ পদক্ষেপক আন্তৰিক শলাগ জনোৱাৰ লগতে উজনি অসমৰ তেলচোৰ চক্ৰৰ প্ৰকৃত মাষ্টাৰ মাইণ্ডক গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী প্ৰশাসন সক্ষম হ'বনে সেই সন্দৰ্ভত ৰাইজৰ মাজত সৰৱ আলোচনা হোৱা পৰিলক্ষিত হৈছে।

# নগাঁৱত এতিয়া ন-ৰূপত কপিলী হস্পিতাল এণ্ড ৰিছাৰ্চ চেন্টাৰ

**বিশেষ সংবাদদাতা, নগাঁও ঃ** নগাঁও চহৰৰ মাজমজিয়াৰ নাৰায়ানা স্কুলৰ নিচেই কাষতে ডিমৰুগুৰিত অৱস্থিত কপিলী হস্পিতাল এণ্ড ৰিছাৰ্চ চেন্টাৰ নামৰ ব্যক্তিগত খণ্ডৰ চিকিৎসালয়খনত মাল্টি চুপাৰ স্পিচিয়েলিটিৰ সুবিধাসমূহ ৰোগীসকলে লাভ কৰিব পাৰিব। চিকিৎসাৰ লগতে ৰোগীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি পূৰ্বতকৈ কিছু আটকধুনীয়া কৰা হৈছে। চিকিৎসালয়খনৰ কৰ্তৃপক্ষৰ হৈ তথা এগৰাকী সু- চিকিৎসক ডাঃ অৰূপ জ্যোতি মহন্তই জানিবলৈ দিয়া মতে- বৰ্তমান আধুনিক যুগৰ লগত খোজ মিলাই চিকিৎসালয়খন পূৰ্বৰ তুলনাত কিছু আহল বহল কৰি, চাফ-চিকুণতাৰে প্ৰদূষণমুক্তভাৱে এটি সুন্দৰ পৰিৱেশৰ মাজেৰে ৰোগীসকলৰ চিকিৎসা সেৱাৰ ব্যৱস্থা কৰা হৈছে। তাৰোপৰি চিকিৎসা প্ৰতিষ্ঠানখন ২৪ ঘন্টাই জৰুৰীকালীন চিকিৎসা সেৱা, অভিজ্ঞতা সম্পন্ন চিকিৎসকৰ দ্বাৰা চিকিৎসাৰ সুবিধা, উন্নত মানৰ আই, চি, ইউ, ৪২ শ্লাইছ চি, টি, স্কেন, লেপাৰস্কপি, লেৱটৰী, এণ্ডোছস্কপি, মডিউলাৰ অ, টি, আল্টা চনোগ্ৰাফি, এনমেলি স্কেন, ডিজিটেল এক্সৰে লগতে ই কো আৰু ই - চি জি সেৱাসমূহ উপলব্ধ থাকিব। উল্লেখ্য যে চিকিৎসা প্ৰতিষ্ঠানখনত চি, টি স্কেন আৰু বিশেষকৈ উন্নত মানৰ আই, চি, ইউ নতুনকৈ সংযোজন কৰা হৈছে বুলিও ডাঃ মহন্তই জনায়। উল্লেখ্য যে এই চিকিৎসা প্ৰতিষ্ঠানখনত হৃদৰোগ, মূত্ৰ ৰোগ, বহুমূত্ৰ ৰোগ, স্ত্ৰী আৰু প্ৰসূতি ৰোগ, চকু, দন্ত আৰু শিশুৰোগকে আদি কৰি মানৱ শৰীৰৰ থকা সকলোবোৰ অংগৰে চিকিৎসা অভিজ্ঞতা সম্পন্ন চিকিৎসকৰ দ্বাৰা ৰোগীসকলক চিকিৎসা প্ৰদান কৰা হ'ব। অধিক তথ্যৰ বাবে ৯৪৩৫৭-২২৭১১ নম্বৰত যোগাযোগ কৰক।

# সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ আৰু মৰিগাঁও শাখা লেখিকা সমাৰোহ সমিতিৰ আতিথ্যত কেন্দ্ৰীয় সাংস্কৃতিক সমাবৰ্তন

**মৃদুস্মিতা শৰ্মা ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোনালী জয়ন্তী বৰ্ষৰ স্বৰ্ণিল জয় যাত্ৰাৰ লগত সংগতি ৰাখি মৰিগাঁৱত দিনযোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হয় কেন্দ্ৰীয় সাংস্কৃতিক সমাবৰ্ত্তন। সেই উপলক্ষে পুৱা মুখ্যদ্বাৰ উন্মোচন কৰে মৰিগাঁও জিলা সাহিত্য সভাৰ সভাপতি হৰমোহন কলিতাই আৰু লগতে চমু বক্তব্য প্ৰদান কৰে। মৰিগাঁও জিলাৰ গান্ধীভৱনত অনুষ্ঠিত সভাৰ আৰম্ভণিতে প্ৰতিষ্ঠাপক সভানেত্ৰী পদ্মশ্ৰী ড° শীলা বৰঠাকুৰৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে প্ৰাক্তন সভানেত্ৰী আভা বৰাই আৰু মাল্যাৰ্পণ কৰে মৰিগাঁও শাখাৰ প্ৰতিষ্ঠাপক সভানেত্ৰী বাণী বৰুৱাই। উদ্বোধনী সভাখন আৰম্ভণিতে মৰিগাঁও শাখাৰ সম্পাদিকা ৰূপা শৰ্মাৰ সদ্য প্ৰয়াত স্বামী নূপুৰ শৰ্মা আৰু প্ৰয়াত অসমৰ বিভিন্ন ব্যক্তিসকলৰ স্বৰ্গগামী আত্মাৰ সদগতি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰা হয়। সভাখন উদ্বোধন কৰে মৰিগাঁও জিলাৰ সহ আয়ুক্ত কংকন জ্যোতি শইকীয়াই। আদৰণী ভাষণ আগবঢ়ায় মৰিগাঁও শাখাৰ সভানেত্ৰী ৰীণা ডেকাই। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা মনোমতী কুৰ্মীয়ে। উল্লেখ্য যে এই কেন্দ্ৰীয় সাংস্কৃতিক সমাবৰ্ত্তন উদ্বোধনী অনুষ্ঠানতে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী সুৱৰ্ণ শইকীয়া বৰদলৈয়ে স্মৃতিৰেখা গোহাঁইক সভানেত্ৰী, ৰীণা ডেকা আৰু প্ৰতিভা দেওৰজাক কাৰ্যকৰী সভানেত্ৰী আৰু অৰ্চনা শৰ্মাক সম্পাদিকা হিচাপে দায়িত্বভাৰ অৰ্পণ কৰি মৰিগাঁও জিলা লেখিকা সমাৰোহ সমিতি গঠন কৰা হ'ল বুলি ঘোষণা কৰে। লগে লগে সদস্যাসকলে ঘোষা আৰু উৰুলি ধ্বনিৰে মুখৰিত কৰি তোলে। সাংস্কৃতিক সমাবৰ্ত্তনত মৰিগাঁও জিলাৰ মৰিগাঁও শাখাৰ আৰম্ভণি গীত, জাগীৰোড শাখাৰ বৰগীত, মৰিগাঁও শাখাৰ নৱ প্ৰজন্ম শিল্পীৰ সত্ৰীয়া নৃত্য, ঝুমুৰ নৃত্য, পশ্চিম মৰিগাঁও শাখাৰ তিৱা নৃত্য, চৰাইবাহী বৰভগীয়া শাখাৰ বিষ্ণু ৰাভা গীতৰ নৃত্য, ভূৰবন্ধা শাখাৰ জেং বিহু, নটুৱাগাওঁ শাখাৰ বিয়া নাম, গুৱাহাটী মেট্ৰ' শাখাৰ কোৰাছ, নগাঁও ধিং শাখাৰ জিকিৰ, কঠিয়াতলি শাখাৰ কল্পনা বৰাৰ একক অভিনয়, তেজপুৰ শাখাৰ কল্পনা কলিতাই বলিষ্ঠভাৱে পৰিৱেশন কৰা একক অভিনয় আৰু ৰিঞ্জুমনি নেওগ বৰাৰ সংস্কৃত স্তোত্ৰম, বোকাখাত শাখাৰ লেখিকা সমাৰোহ সমিতিৰ উদ্দেশ্য কৰি লিখা গীত আৰু বিহু। শেষত নগাঁও জিলাৰ ৰহা শাখাৰ শিল্পীসকলে পৰিৱেশন কৰে নাটক 'কমলা কুঁৱৰী'। সাংস্কৃতিক সমাবৰ্ত্তনৰ আঁত ধৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰধান সম্পাদিকা মনোমতী কুৰ্মীয়ে। সম্বৰ্ধনা আৰু সাংস্কৃতিক অনুষ্ঠানৰ আঁত ধৰে মৰিগাঁও শাখাৰ প্ৰাক্তন সম্পাদিকা অৰ্চনা শৰ্মা আৰু সাংস্কৃতিক সম্পাদিকা ললিতা দেৱীয়ে। শেষত জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি হয়।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ত ৰাষ্ট্ৰীয় ক্ৰীড়া সপ্তাহ ২০২৫



**বিশেষ সংবাদদাতা, নগাঁও ঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয় তথা ৰাজ্যপালৰ সচিবালয়, অসমৰ নিৰ্দেশানুযায়ী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ে তিনিদিনীয়াকৈ আয়োজন কৰে ৰাষ্ট্ৰীয় ক্ৰীড়া সপ্তাহ ২০২৫। সংশ্লিষ্ট কৰ্তৃপক্ষৰ নিৰ্দেশানুযায়ী বিশ্ববিদ্যালয়খনে শপত গ্ৰহণ, ডবা তথা কেৰম প্ৰতিযোগিতা আৰু যোগৰ কৰ্মশালাৰ মাধ্যমেৰে এই সপ্তাহ আয়োজন কৰে। ২৯ তাৰিখে শপত বাক্য পাঠ, ৩০ তাৰিখে ডবা আৰু কেৰম প্ৰতিযোগিতা আৰু যোগৰ বিশেষ কৰ্মশালা বিশ্ববিদ্যালয়খন আয়োজন কৰে। ফলাফল অনুযায়ী কেৰম প্ৰতিযোগিতাত (ল'ৰা শাখা)ত ভূগোল বিভাগৰ দিপ্তীমান কলিতাই প্ৰথম, শিক্ষা বিভাগৰ লাতু বৰুৱাই দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে ভূগোল বিভাগৰে অনামিকা বৰাই ছোৱালী শাখাত প্ৰথম আৰু শিক্ষা বিভাগৰ ছোহানা কাবিৰে দ্বিতীয় স্থান লাভ কৰে। ডবা প্ৰতিযোগিতাত (নগাঁও চৌহদ) ক্ৰমে বাণিজ্য বিভাগৰ বিশ্বদ্বীপ বৰাই প্ৰথম, লাইফ চাইন্স বিভাগৰ গৌৰাঙ্গ শইকীয়াই দ্বিতীয় আৰু ভূগোল বিভাগৰ দাদুল গগৈয়ে তৃতীয় স্থান লাভ কৰে। ইয়াৰ বিপৰীতে বিশ্ববিদ্যালয়খনৰ গুৱাহাটী চৌহদত সামাজিক কৰ্ম বিভাগৰ অম্লান জ্যোতি পাটৰে প্ৰথম, আইন বিভাগৰ অশিষ্ট প্ৰধানে দ্বিতীয় আৰু যোগ বিজ্ঞান - প্ৰাকৃতিক চিকিৎসা বিভাগৰ অসীম বড়োৱে তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। প্ৰতিযোগিতাৰ সফল ৰূপায়ণত, স্থান প্ৰাপকসকলক বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক অশোক কুমাৰ বৰা, পঞ্জীয়ক ড° শৰৎ হাজৰিকা প্ৰমুখ্যে সকলোৱে শুভেচ্ছা জ্ঞাপন কৰিছে।

# নগাঁও জিলাৰ মধ্য কেন্দ্ৰ বিন্দু কলিয়াবৰৰ উলুৱনী চাৰিআলিত মুকলি কৰা হয় কলিয়াবৰৰ আই, এ, এছ একাডেমি

## ছাত্ৰ-ছাত্ৰীসকলৰ নিজৰ উচ্চ আকাংক্ষাক শক্তিশালী কৰাই ভৱিষ্যত গঢ় দিয়াৰ এক প্ৰয়াস




**বিশেষ সংবাদদাতা, নগাঁও ঃ** প্ৰতিযোগিতামূলক পৰীক্ষাৰ ক্ষেত্ৰত এখন আগশাৰীৰ শিক্ষানুষ্ঠান কলিয়াবৰ আই, এ, এছ একাডেমিৰ কৰ্তৃপক্ষৰ ফালৰ পৰা জানিবলৈ দিয়া মতে- এই শিক্ষা প্ৰতিষ্ঠানখনত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিৰ্ধাথে অতি ন্যূনতম মাচুলত অভিজ্ঞতা সম্পন্ন শিক্ষকৰ দ্বাৰা এ, পি, এ, চি (APSE), বেকিং, (Banking), এচ এচ চি (SSC), আৰ, আৰ, বি(RRB)কে আদি কৰি অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ দ্বাৰা আয়োজিত সকলো ধৰণৰ প্ৰতিযোগিতা মূলক পৰীক্ষাত ছাত্ৰ-ছাত্ৰীসকল অৱতীৰ্ণ হৈ সফল হ'ব পৰাকৈ অভিজ্ঞতা সম্পন্ন শিক্ষকৰ দ্বাৰা উন্নত মানদণ্ডৰ শিক্ষা প্ৰদান কৰা হয়। বিশেষকৈ অসম চৰকাৰৰ দ্বাৰা আয়োজিত টেট, অসম আৰক্ষী, ADRE পৰীক্ষাত অৱতীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলৰ বাৰে বিশেষভাৱে কোচিঙৰো ব্যৱস্থা কৰা হৈছে। তদুপৰি ছাত্ৰ-ছাত্ৰীসকলে হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হোৱাৰ পিছত দোমোজাত পৰে যে কি বিষয়ত অধ্যয়ন কৰিলে জীৱনটো সাৰ্থক হ'ব। সেই আসোঁৱাহসমূহ আঁতৰ কৰা উদ্দেশ্যৰে একাডেমিখনৰ ফালৰ পৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সভা অনুষ্ঠিত কৰি সজাগ কৰা তোলাৰো এক প্ৰয়াস কৰা হৈছে। সবিশেষ জানিবলৈ ৯৬৭৮৪-১৯১৮৫ নম্বৰত যোগাযোগ কৰক।

# দদৰাত ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত কেন্দ্ৰীয় চৰকাৰৰ জন সুৰক্ষা অভিযানৰ শিবিৰ

## ২০টা আত্মসহায়ক গোটলৈ ১ কৌটি টকাৰ ঋণৰ চেক বিতৰণ

**ৰমেন ভৰালী, বংশৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ জনসুৰক্ষা অভিযানৰ অংশ হিচাপে যোৱা ২৮ আগষ্টত কামৰূপ জিলাৰ দদৰাস্থিত ভৃগু কুমাৰ ফুকন ৰাজহুৱা প্ৰেক্ষাগৃহত এক জন সুৰক্ষা শিৱিৰৰ আয়োজন কৰা হয়। ভাৰতীয় ষ্টেট বেংকৰ দদৰা শাখাৰ উদ্যোগত আয়োজন কৰা এই শিবিৰত জন সুৰক্ষা আঁচনিৰ বিষয়ে বহুলভাৱে আলোচনা কৰাৰ লগতে বেংকত উপলব্ধ বিভিন্ন আঁচনিৰ দ্বাৰা জনসাধাৰণ কেনেদৰে উপকৃত হ'ব পাৰে এই সম্পৰ্কে আলোচনা কৰা হয়। অনুষ্ঠানত ভাৰতীয় ৰিৰ্জাভ বেংক গুৱাহাটী মুখ্য কাৰ্যালয়ৰ বিষয়া সুস্মিতা ফুকনে উপস্থিত থাকি কয় যে ভাৰতীয় ষ্টেট বেংকৰ উদ্যোগত সাধাৰণ জনতাক বিত্তীয় সেৱাৰ বিষয়ে সজাগ আৰু সচেতন হ'বলৈ এই শিৱিৰ আয়োজন কৰিছে। বেংকৰ জৰিয়তে গ্ৰাহকসকলে কেনেদৰে বেংকৰ সেৱা সমূহৰ দ্বাৰা লাভান্বিত হ'ব পাৰে, সেই বিষয়ে গ্ৰাহকসকলক সজাগতা কৰিবলৈ এই শিৱিৰ আয়োজন কৰা বুলি মন্তব্য কৰে। তেওঁ সকলোকে বিত্তীয় সেৱা, বেংকিং পদ্ধতি আৰু অন্যান্য বিত্তীয় সামগ্ৰীৰ বিষয়ে সজাগ সচেতন হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ - পূৰ্বাঞ্চল মুখ্য মহাপ্ৰবন্ধক প্ৰভাস বসুৱে উপস্থিত থাকি কয় যে ভাৰতীয় ষ্টেট বেংকৰ বিত্তীয় সজাগতা অভিযানৰ লক্ষ্য হৈছে জনসাধাৰণক বিত্তীয় সেৱাৰ সৈতে জড়িত কৰা। সাধাৰণ মানুহে কেনেদৰে বিত্তীয় সেৱাৰ পৰা লাভান্বিত হ'ব পাৰে, সেই বিষয়ে সজাগ কৰাৰ লগতে ঋণ সম্পৰ্কীয় বিভিন্ন বিষয়ত সজাগ আৰু সচেতন সৃষ্টি কৰাৰ উদ্দেশ্য এই শিৱিৰ অনুষ্ঠিত পৰা বুলি মন্তব্য কৰে। শিৱিৰত ভাৰতীয় ষ্টেট বেংকৰ আন এগৰাকী উচ্চপদস্থ বিষয়া চফল ত্ৰিপাঠীয়ে কয় ভাৰতীয় ষ্টেট বেংকে সময়ে সময়ে বিত্তীয় সুৰক্ষা সন্দৰ্ভত সজাগতামূলক বিভিন্ন অনুষ্ঠান অনুষ্ঠিত কৰি আহিছে। কেনেকৈ বেংকৰ সৈতে লেনদেন কৰিব, কিদৰে ঋণ লাভ কৰিব পাৰিব, এই সকলো দিশৰ ওপৰত ৰাইজক সজাগ কৰাৰ উদ্দেশ্যে ভাৰতীয় ষ্টেট বেংকে সজাগতামূলক সভা অনুষ্ঠিত কৰি আহিছে। চাইবাৰ প্ৰৱঞ্চনা, ডিজিটেল ফ্ৰড, ডিজিটেল এৰেষ্ট আদিৰ পৰা সজাগ আৰু সচেতন হ'বলৈ এনেধৰণৰ সজাগতা শিৱিৰ আয়োজন কৰা হয় বুলি মন্তব্য কৰে। তেওঁ যিকোনো চাইবাৰ প্ৰৱঞ্চনাত পৰিলে ভাৰতীয় ষ্টেট বেংকত ১৯৩০ নম্বৰত যোগাযোগৰ বাবে আহ্বান জনায়। উল্লেখ্য অনুষ্ঠিত বিত্তীয় জন সুৰক্ষা শিৱিৰত ২০ টা আত্মসহায়ক গোটলৈ প্ৰায় ১ কৌটি টকাৰ চেক বিতৰণ কৰাৰ লগতে কেইবাগৰাকীও লোকক মুদ্ৰা ঋণো বিতৰণ কৰে। সভাত বেংক বিষয়া আফতাপ মালিক সুশান্ত বল্লভ হাজৰিকা , অমিত ৰঞ্জন, সঞ্জয় কুমাৰ চাফীকে আদি কৰি ভাৰতীয় ৰিৰ্জাভ বেংক আৰু ভাৰতীয় ষ্টেট বেংকৰ কেইবাজনো উচ্চপদস্থ বিষয়া উপস্থিত থাকে। এই সজাগতা সভাৰ জৰিয়তে ভাৰতীয় ষ্টেট বেংকে জনসাধাৰণক বিত্তীয়ভাৱে সৱল কৰাৰ বাবে এক উল্লেখযোগ্য পদক্ষেপ লৈছে বুলি মন্তব্য কৰিছে উপস্থিত ৰাইজে।

### ভাদ মাহ উপলক্ষে নগাঁৱা সাংস্কৃতিৱান যুৱক পাৰ্থ প্ৰতিম মহন্তৰ ব্যতিক্ৰমী পদক্ষেপ

# নামঘৰে নামঘৰে গৈ সেৱা-অৰ্চনাৰে আগবঢ়াইছে একোটিকৈ দেৱাল ঘড়ী



**জয়ন্ত মুদৈ, নগাঁও ঃ** সম্প্ৰতি সমগ্ৰ ৰাজ্যজুৰি অব্যাহত আছে পৱিত্ৰ ভাদ মাহৰ উৎসাহ-উদ্দীপনা। এই সময়ছোৱাত প্ৰতিজন অসমীয়াই নিতৌ ব্যস্ততাময় জীৱনৰ পৰা ক্ষণিকৰ বাবে আঁতৰি একাগ্ৰতাৰে নাম-কীৰ্তনত নিমগ্ন হৈ ভক্তি ৰস প্ৰাণ কৰে। ফলত গাঁও-ভূঁই সৰ্বত্ৰে এতিয়া মন-প্ৰাণ পুলকিত কৰি তোলা হৰিনামৰ অমল ধ্বনিৰে মুখৰিত হৈ পৰিছে। ভাদ মাহৰ এনে এক আধ্যাত্মিক পৰিৱেশৰ মাজতে নগাঁৱা এজন যুৱ সামাজিক-সাংস্কৃতিক কৰ্মীয়ে গ্ৰহণ কৰা ব্যতিক্ৰমী পদক্ষেপে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। সমাজ সচেতন এইগৰাকী সাংস্কৃতিৱান যুৱক হৈছে নগাঁও চহৰৰ উত্তৰ হয়বৰগাঁও নিৱাসী পাৰ্থ প্ৰতিম মহন্ত। আচলতে, ভাদ মাহ উপলক্ষে ভকত সেৱাৰ মানসেৰে এইগৰাকী উদ্যমী যুৱকে জিলাৰ বিভিন্ন প্ৰান্তৰ নামঘৰে নামঘৰে গৈ দাঙি ধৰিছে এক বিৰল দৃষ্টান্ত। যুৱকজনে সম্পূৰ্ণ ব্যতিক্ৰমী চিন্তাৰে ইতিমধ্যে কেইবাটাও নামঘৰত উপস্থিত হৈ নাম-কীৰ্তনত ব্ৰতী হোৱা ভকত-বৈষ্ণৱৰ সাক্ষাৎ লৈ ভগৱন্তৰ চৰণত সেৱা আগবঢ়াই আহিছে। তদুপৰি তেওঁ নিজা প্ৰচেষ্টাৰে গ্ৰহণ কৰা 'ভক্তি সেৱা' শীৰ্ষক অনুষ্ঠানৰ লগত সংগতি ৰাখি প্ৰতিটো নামঘৰত ধূপ-দীপ-নৈবেদ্য আৰু অৰিহণা আদায় দি সকলোৰে কুশল-মংগল কামনা কৰি উপস্থিত সুধী ৰাইজৰ আশীষ নিমালি গ্ৰহণ কৰাৰ সমান্তৰালভাৱে নামঘৰলৈ একোটিকৈ দেৱাল ঘড়ী আগবঢ়াই আহিছে। উল্লেখ্য, বৰ্তমান সময়ত আধুনিকতাৰ ধামখুমীয়াত পৰি উঠি অহা যুৱ প্ৰজন্মৰ বহুসংখ্যকেই বিপথগামী হৈ পৰাৰ লগতে সামাজিক কাম-কাজ বা ধৰ্মীয় আৰু সাংস্কৃতিক দিশৰ প্ৰতি আওকণীয়া মনোভাবহে পোষণ কৰি আহিছে যদিও এইগৰাকী নগাঁৱা যুৱকে অসমীয়াৰ পৱিত্ৰ ভাদ মাহ উপলক্ষে গ্ৰহণ কৰা এনে ব্যতিক্ৰমী পদক্ষেপৰ শলাগ লৈছে সচেতন মহলে।

# লেখক পৱন কুমাৰ বৰাক ২০২৪-২৫ বৰ্ষৰ দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা প্ৰদান

## পুৰণিগুদামৰ বিশাল ৰাজহুৱা সভাত দেৱচন্স গ্ৰুপে প্ৰদান কৰা হয় এই বঁটা
## এই বঁটাত আছে এক লাখ টকা, স্মাৰক, জাপি, শৰাই আৰু গ্ৰন্থৰ টোপোলা




**ষ্টাফ ৰিপৰ্টাৰ নগাঁও ঃ** 'প্ৰতিবন্ধকতা মানুহৰ মনত থাকে শৰীৰত নহয়। সমাজৰ যিসকল লোক বিশেষভাৱে সক্ষম সেইসকলক পুতৌ দৃষ্টিৰে নহয় শ্ৰদ্ধাৰ দৃষ্টিৰে চাব লাগে।' এই মন্তব্য ঐতিহাসিক দৰঙী ৰজাৰ পৰিনাতি, দেৱচন্স গ্ৰুপৰ প্ৰতিষ্ঠাক তথা দৰঙৰ সুযোগ্য সন্তান 'দেৱচন্স বিশেষ সাহিত্য বঁটা'ৰ প্ৰৱৰ্তক স্বপ্নদ্ৰষ্টা ডাঃ অমৰেন্দ্ৰ নাৰায়ণ দেৱৰ। নগাঁও জিলাৰ পুৰণিগুদামৰ হাতীগাঁৱৰ নাট্যচ'ৰাত যোৱা ৩১ আগষ্টত বিয়লি অনুষ্ঠিত হোৱা দেৱচন্স বিশেষ সাহিত্য বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকি বিশিষ্ট সমাজ সেৱকগৰাকীয়ে আৰু কয় যে, 'মানুহে আজিকালি সমাজবেয়া হ'ল বুলি দোষাৰোপ কৰে কিন্তু প্ৰকৃততে সমাজ বেয়া হোৱা নাই। বেয়া হৈছে মানুহৰ মানসিকতা। মানুহৰ মাজত বিশ্বাসৰ মৃত্যু হৈছে। প্ৰত্যেকেই প্ৰত্যেকৰ প্ৰতি বিশ্বাস হেৰুৱাইছে। আমি অনুভৱী হৃদয়েৰে সমাজখন পৰিৱৰ্তন কৰি ল'ব পাৰো।' আকাশবাণী কেন্দ্ৰ, গুৱাহাটীৰ ঘোষক তথা কণ্ঠশিল্পী প্ৰাঞ্জল শৰ্মাই আঁত ধৰা বঁটা প্ৰদানৰ গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটি উদ্বোধন কৰে অসমৰ সংবাদজগতৰ এগৰাকী জনপ্ৰিয় ব্যক্তি ভাৰ্গৱ কুমাৰ দাসে। উক্ত অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকি কৰণাধাৰাৰ উপ-সভাপতি নীলিমা গোস্বামীয়ে সাৱলীল বক্তৃতাৰে উপস্থিত ৰাইজক আপ্লুত কৰে। লগতে পুৰণিগুদামৰ বিশিষ্ট শিক্ষাবিদ তথা পুৰণিগুদাম বাপুজী ভৱন আৰু পুথিভঁৰালৰ সভাপতি পুলিন হাজৰিকাই শুভেচ্ছামূলক বক্তব্য আগবঢ়ায়। সভাত লেখক পৱন কুমাৰ বৰাক ২০২৪-২৫ বৰ্ষৰ দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা প্ৰদান কৰা হয়। এই বঁটাত আছে গামোছা, চেলেং, জাপি, শৰাই, স্মাৰক, কিতাপৰ টোপোলা আৰু নগদ এক লাখ টকাৰ চেক। আনহাতে, বঁটা প্ৰাপক পৱনে কুমাৰ বৰাই বঁটা গ্ৰহণ কৰি যথেষ্ট উৎসাহিত হোৱা বুলি মন্তব্য কৰে। লগতে তেওঁ লেখক হিচাপে এই বঁটাই অধিক দায়বদ্ধ কৰি তোলা বুলি নিজৰ বক্তব্যত উল্লেখ কৰে। লগতে তেওঁ আৰু কয় যে, 'দেৱচন্স বিশেষ সাহিত্য প্ৰতিভা বঁটা, কেৱল এটি বঁটা নহয়, এয়া যেন মানৱতাৰ জয়গান। হোমেন বৰগোহাঞিও দেৱৰ হৃদয়ৰ আন্দোলনৰ এটি উজ্বল ৰং হ'ল এই দেৱচন্স গ্ৰুপৰ মমতাময় বঁটা। দেৱচন্স গ্ৰুপৰ সঁচা মানৱতাৰ বাৰ্তা সকলোতে প্ৰতিধ্বনি হ'ব বুলি লেখকগৰাকীয়ে আশা ব্যক্ত কৰে। উল্লেখ্য যে, ২০১৫ চনৰ পৰা প্ৰতিবছৰে 'পিচলৈ প্ৰতি দুবছৰ অন্তে-অন্তে' অসমৰ বিশেষভাৱে সক্ষম সাহিত্যিকসকললৈ ব্যক্তিগতভাৱে এক লাখ টকা মূল্যৰ বিশেষ সাহিত্য প্ৰতিভা বঁটা আগবঢ়াই আহিছে। এইবেলি এই বঁটা প্ৰদান কৰা হৈছে নগাঁও জিলাৰ পুৰণিগুদাম হাতীগাঁৱৰ জনপ্ৰিয় যুৱপ্ৰজন্মৰ লেখক পৱন কুমাৰ বৰাক। বাতৰি কাকতৰ নিয়মীয়া লিখক পৱন কুমাৰ বৰাই তেওঁৰ ৰংমনৰ জীৱন। 'প্ৰকাশক -অসম শিশু সাহিত্য ন্যাস ২০১২), প্ৰত্যাহ্বান গল্প সংকলন ২০২৩ (প্ৰকাশক- সেউজ প্ৰকাশন, সৰুপেটা।) গ্ৰন্থৰ বাবে নিৰ্বাচিত হৈছে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত দৰঙৰ লোকসংস্কৃতিৰ সাধক গৱেষক তৰুণ আজাদ ডেকা মুখ্য অতিথিৰূপে উপস্থিত থাকি মননশীল ভাষণ আগবঢ়ায়। সভাত জ্যেষ্ঠ সাংবাদিক গণেশ দত্ত প্ৰমুখ্যে পুৰণিগুদাম অঞ্চলৰ বহু গণ্যমান্য ব্যক্তি উপস্থিত আছিল। উল্লেখ্য যে, অনুষ্ঠানত অসমৰ এগৰাকী বিশিষ্ট সংগীত শিল্পী ৰূপম তালুকদাৰ উপস্থিত থাকি জনপ্ৰিয় দুটি গীত পৰিৱেশন কৰি উপস্থিত ৰাইজক মন্ত্ৰমুগ্ধ কৰে।

# আমেৰিকাত ভাৰতৰ স্বাধীনতা দিৱস উদ্‌যাপন




**বিশেষ সংবাদদাতা, নগাঁও ঃ** আমেৰিকাৰ ছিয়াটলত প্ৰৱাসী ভাৰতীয়ই ভাৰতৰ স্বাধীনতা দিৱস উদ্‌যাপন কৰে। ভাৰতৰ কনছুলেট জেনেৰেল - প্ৰকাশ গুপ্তাই আয়োজন কৰা ভাৰতৰ স্বাধীনতা দিৱসৰ কাৰ্যসূচীত অসম আৰু উত্তৰ-পূৰ্বাঞ্চলক কৰি পৰম্পৰাগত নৃত্য, সংগীত, সাজ-পোছাকৰ বৰ্ণিল প্ৰদৰ্শনৰ জৰিয়তে অঞ্চলটোৰ সাংস্কৃতিক ঐতিহ্যক সজীৱ কৰি তুলি গৌৰৱ অনুভৱ কৰিছে ছিয়াটলৰ প্ৰৱাসী অসমীয়াসকলে। উত্তৰ-পূৰ্বাঞ্চলৰ অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু চিকিমৰ স্বকীয় পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি আঠজন ব্যক্তিয়ে এই অনুষ্ঠানৰ উৎসৱত নেতৃত্ব দিয়ে। এই লোক সকলে বৈচিত্ৰৰ মাজত ঐক্যৰ প্ৰতীক আৰু উত্তৰ-পূৱ ভাৰতৰ চহকী সংস্কৃতিৰ আভাস দাঙি ধৰে। অনুষ্ঠানত সত্ৰীয়া নৃত্যশিল্পীসকলে সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰি সকলোকে মোহিত কৰে। শিল্পীসকলে ভক্তি আৰু আখ্যানৰে শিপাই থকা সত্ৰীয়া নৃত্যৰ বৈষ্ণৱ পৰম্পৰা, আধ্যাত্মিক দিশ সঠিকভাৱে উপস্থাপন কৰাত সফল হয়। অসমৰ বৈচিত্ৰময় জনজাতীয় আৰু জনগোষ্ঠীক প্ৰতিনিধিত্ব কৰি পৰম্পৰাগত সাজ-পাৰ পৰিধান কৰি নিজৰ মাতৃভূমিৰ ৰীতি-নীতি আৰু পৰিচয় দাঙি ধৰে শিল্পীসকলে। অসমৰ আঠগৰাকী বিহু নাচনীয়ে বিহুনৃত্যৰ পৰম্পৰাগত সাজ জাপি পৰিধান কৰি ছন্দময় বিহু নৃত্যৰে উপস্থিত সকলোকে আমোদ দিয়াৰ লগতে অসমৰ জাতীয় উৎসৱ, সুহৃদয়তা আৰু কৃষি সংস্কৃতিৰ সঞ্চাৰ কৰাত সফল হয়। এইসকলৰ ভিতৰত অন্যতম আছিল নগাঁৱৰ ডোৰোথি ফুকন কুহাৰ। তেওঁ অনুষ্ঠানত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল। অনুষ্ঠানত অংশগ্ৰহণকাৰীসকলে জানিবলৈ দিয়ে যে এই অনুষ্ঠান কেৱল পৰিৱেশ্য কলা নহয়- ই উত্তৰ-পূৱ ভাৰতৰ অনন্য মনোভাৱৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ৰং, ছন্দ, পৰম্পৰাৰ এই প্ৰদৰ্শনৰ জৰিয়তে আমাৰ ঐতিহ্যক সন্মান জনাই অসমৰ সাংস্কৃতিক সমৃদ্ধিক বিশ্ববাসীৰ সৈতে গৌৰৱৰে ভাগ কৰিছো।

# চন্দ্ৰকান্ত সন্দিকৈ ভৱন অসমীয়া জাতিৰ গৌৰৱ ঃ নৃত্যাচাৰ্য যতীন গোস্বামী

## চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ গণ জাগৰণ কাৰ্যসূচী সম্পন্ন



**ৰমেন ভৰালী, বংশৰ ঃ** 'চন্দ্ৰকান্ত সন্দিকৈ ভৱন অসমীয়া জাতিৰ গৌৰৱ। দানবীৰ ৰাধাকান্ত সন্দিকৈ প্ৰকৃতাৰ্থত এগৰাকী দানবীৰ আছিল। তেওঁৰ দানেৰে নিৰ্মিত চন্দ্ৰকান্ত সন্দিকৈ ভৱন যোৱা ৩১ আগষ্টত অসমীয়া জাতিৰ পৰিচয় হৈ পৰিছে।' অসম সাহিত্য সভাৰ উদ্যোগত যৌথ মঞ্চ গুৱাহাটী সাংস্কৃতিক গোষ্ঠী আৰু সত্ৰীয়া সংস্কৃতিৰ মঞ্চ অসমৰ সহযোগত সংগীতাচাৰ্য্য লক্ষ্মীৰাম বৰুৱা সদনত চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ গণ জাগৰণ কাৰ্যসূচী 'বাৰেৰহণীয়া' শীৰ্ষক এক বৰ্ণাঢ্য অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি নৃত্যাচাৰ্য যতীন গোস্বামীয়ে এইদৰে কয়। অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি পদ্মভূষণ যতীন গোস্বামীয়ে লগতে কয়- 'চন্দ্ৰকান্ত ভৱনৰ স্মৃতি ৰক্ষাৰ বাবে আয়োজন কৰা এই বৰ্ণাঢ্য অনুষ্ঠানটিত উপস্থিত থাকিবলৈ পাই নিজকে মই গৌৰৱবোধ কৰিছোঁ।' সাহিত্যাচাৰ্য মিত্ৰদেৱ মহন্তৰ বিৰচিত 'চিৰ চেনেহী মোৰ ভাষা জননী...' শীৰ্ষক গীতেৰে আৰম্ভণি কৰা অনুষ্ঠানৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন কৰে যতীন গোস্বামীয়ে। নলিনী মহন্তৰ বৰগীত পৰিৱেশনৰ পিছতে সভাৰ উদ্দেশ্যৰ কথকতা কৰি অসম সাহিত্য সভাৰ প্ৰধানসম্পাদক দেৱজিৎ বৰাই কয়- 'অসম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ আয়োজনৰ বতৰাই সাহিত্যপ্ৰাণ মহতী লোকসকলৰ হৃদয় আন্দোলিত কৰিছে। চন্দ্ৰকান্ত সন্দিকৈ ভৱন অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়েই নহয়, ই অসমীয়া মানুহৰ আৱেগ আৰু অহংকাৰ। অসমৰ ভূমিখণ্ডত বসতি স্থাপন কৰা হাজাৰ-বিজাৰ লোকে চন্দ্ৰকান্ত সন্দিকৈ ভৱনক লৈ গৌৰৱবোধ কৰে। অহা ২ আৰু ৩ ডিচেম্বৰত যোৰহাটত আয়োজন কৰিব লগা এই মহোৎসৱ সফল কৰি তুলিবলৈ আমি সকলোৰে ওচৰত কৰযোৰে আহ্বান জনালোঁ।' সভাপতিৰ আসন গ্ৰহণ কৰি অসম সাহিত্য সভাৰ উপসভাপতি পদুম ৰাজখোৱাই কয়- 'জাতি, ভাষা, সংস্কৃতিক ভালপোৱা লোকসকলে ওলাই আহি হাতে হাত মিলাই অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ ৰক্ষাৰ্থে অসম সাহিত্য সভাৰ উত্তৰণৰ বাবে ওলাই আহিবলৈ আমি সকলোকে আহ্বান জনাইছোঁ। অসম সাহিত্য সভাৰ এই আহ্বানে অসমীয়া জাতিক অধিক প্ৰাণৱন্ত কৰি তুলিব।' অনুষ্ঠানত নৃত্যাচাৰ্য, পদ্মভূষণ যতীন গোস্বামীক চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষৰ প্ৰাক্কালত অসম সাহিত্য সভাৰ তৰফৰ পৰা বিপুল সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰি চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱৰ আদৰণি সমিতিৰ যুটীয়া সম্পাদক ৰমেন গগৈয়ে চন্দ্ৰকান্ত সন্দিকৈ ভৱনৰ শতবৰ্ষ মহোৎসৱ সফল ৰূপায়ণৰ বাবে অসমবাসীক মুকলি আহ্বান জনায়। সভাত পশ্চিম গুৱাহাটী কলেজৰ প্ৰাক্তন অধ্যক্ষ তথা ইউ. এছ. টি. এম.ৰ সমউপাচাৰ্য ড° বলেন্দ্ৰ কুমাৰ দাস, ৰাছিয়াৰ বিশিষ্ট চিত্ৰশিল্পী, অসম সাহিত্য সভাৰ অনুৰাগী মিতালী গোস্বামী আৰু মস্কোৰ বিশিষ্ট চিত্ৰশিল্পী ভিক্টৰ ত্ৰচিন, অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয় সম্পাদক ড° সঞ্জীৱ কুমাৰ শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। আবেলি তিনি বজাৰ পৰা অনুষ্ঠিত বাৰেৰহণীয়া কাৰ্যসূচীত যৌথ মঞ্চ গুৱাহাটী সাংস্কৃতিক গোষ্ঠী আৰু সত্ৰীয়া সংস্কৃতিৰ মঞ্চ অসমৰ শিল্পীসকলে সত্ৰীয়া শুদ্ধৰূপত কৃষ্ণ-গোপীৰ অভিনয়, ভোৰতাল নৃত্য, সমৱেত সংগীত, ৰঞ্জিতা গোস্বামীৰ নেতৃত্বত থিয়নাম, ত্ৰিপুৰী দলীয় নৃত্য, খোল বাদন, তিৱা দলীয় নৃত্য, হোলী গীত, যৌথ মঞ্চ গুৱাহাটী সাংস্কৃতিক গোষ্ঠীৰ শিল্পীবৃন্দৰ দ্বাৰা বাৰেৰহণীয়া জনগোষ্ঠীয় অনুষ্ঠান, মুকাভিনয়, ৰুমী ভূঞাৰ নেতৃত্বত জিকিৰ, দিহানাম আৰু নৰনাৰায়ণ বিহুৱা দলৰ বিহু নৃত্য পৰিৱেশন কৰা হয়। অনুষ্ঠানৰ আঁত ধৰে যৌথ মঞ্চৰ সভাপতি ৰুমী ভূঞাই। শলাগৰ শৰাইৰ পিছত জাতীয় সংগীতেৰে বৰ্ণাঢ্য অনুষ্ঠানৰ সামৰণি পৰে বুলি এক বিজ্ঞপ্তিযোগে অসম সাহিত্য সভাৰ প্ৰচাৰ উপ-সমিতিৰ সদস্য সোণাধৰ ডেকাই জনায়।

# ওদালবাক্ৰা জনজাতি যুৱ কল্যাণ পৰিষদৰ ৰাস মহোৎসৱৰ কাৰ্যালয় উদ্বোধন



**ওদালবাক্ৰা ঃ** যোৱা বছৰৰ দৰে এই বছৰো ওদালবাক্ৰা জনজাতি যুৱ কল্যাণ পৰিষদৰ উদ্যোগত অহা নৱেম্বৰ মাহত ৰাস মহোৎসৱ পালন কৰাৰ প্ৰস্তুতি চলোৱা হৈছে। ২০২৪ বৰ্ষত অনুষ্ঠিত হোৱা ৰাস মহোৎসৱ সকলো ৰাইজে দেখুওৱা উৎসাহ আৰু সহযোগিতাৰ বাবে পৰিষদে সকলো ৰাইজৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে। সেয়েহে ২০২৫ বৰ্ষৰ নৱেম্বৰ মাহত অনুষ্ঠিত কৰিবলৈ লোৱা ৰাস মহোৎসৱ যোৱা বছৰতকৈ অধিক মনোমোহা ৰূপত উপস্থাপন কৰিবলৈ ওদালবাক্ৰা জনজাতি যুৱ কল্যাণ পৰিষদৰ উদ্যোক্তাসকল আগবাঢ়ি আহিছে। এই ক্ষেত্ৰত সকলো ভক্তপ্ৰাণ ৰাইজৰ সহায় সহযোগিতা একান্তভাৱে কামনা কৰিছে পৰিষদে। এইবছৰ অনুষ্ঠিত কৰিবলৈ লোৱা ৰাস মহোৎসৱখনি ৫০ টাৰো অধিক মূৰ্তিৰে আলোকসজ্জিত কৰাৰ পৰিকল্পনা কৰা হৈছে। লগতে প্ৰযুক্তি বিদ্যাৰ শীৰ্ষ স্থানত অধিষ্ঠিত AI পদ্ধতিৰে ডিজিটেল ৰূপত কেবাটাও প্ৰতিমূৰ্তি প্ৰতিষ্ঠিত কৰাৰ বাবে ইতিমধ্যে সকলো সাজু কৰি তোলা হৈছে। এনেধৰণৰ বিভিন্ন কাৰুকাৰ্যৰে সজ্জিত কৰিবলৈ ৰাস মহোৎসৱখনি পৰিচালনা কৰিবলৈ ওদালবাক্ৰা জনজাতি যুৱ কল্যাণ পৰিষদৰ উদ্যোগত এটি কাৰ্যালয় উদ্বোধন কৰা হৈছে। বিগত বৰ্ষত সফলতাৰে ৭ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰা ৰাস মহোৎসৱ এইবাৰো বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হ'ব। এই উপলক্ষে ওদালবাক্ৰা বিষ্ণুপ্ৰসাদ ৰাভাৰ আৱক্ষ মূৰ্তিৰ সন্মুখত এটি কাৰ্যালয় উদ্বোধন কৰা হয়। কাৰ্যালয় উদ্বোধন কৰে ওদালবাক্ৰা জনজাতি যুৱ কল্যাণ পৰিষদৰ সভাপতি অনন্ত ৰাভাই। অনুষ্ঠানটোত ভাষণ প্ৰদান কৰে সভাপতি অনন্ত ৰাভাৰ লগতে কেবাজনো বিষয়ববীয়াই। ব্যুৰ' ৰিপৰ্ট, অসম প্ৰৱাহ

# তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ নতুন শাখা গঠন

**ৰমেন ভৰালী, বংশৰ ঃ** সাহিত্য কৰ্ম হ'ল মানুহ জীৱনৰ অন্যতম শ্ৰেষ্ঠ কৰ্ম। আজিৰ পৰা ১০৮ বছৰপূৰ্বে সেই সময়ৰ পুৰোধা সকলে অসমীয়া ভাষা সাহিত্যৰ প্ৰতিষ্ঠাৰ লগতে প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে অসম সাহিত্য সভা গঠন কৰিছিল। সময়ৰ ঋজুগতিত অসম সাহিত্য সভাই সম্প্ৰতি ফলে ফুলে জাতিষ্কাৰ হৈ বৃহৎ বটবৃক্ষলৈ পৰিণত হৈছে। অসম সাহিত্য সভা এতিয়া অসম বা ভাৰতেই নহয় বিশ্বৰ ভিতৰতে অন্যতম বৃহৎ সাহিত্যৰ সংগঠন। এই মন্তব্য অসম সাহিত্য সভা মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সাংগঠনিক সম্পাদক দুলাল নাথৰ। লগতে তেখেতে কয় যে অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ ভাষাবিদ ড° বসন্ত কুমাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ বৰা দেৱৰ নেতৃত্বত বৌদ্ধিক জগতৰ লোকসকলক অসম সাহিত্য সভাৰ পতাকা তললৈ আমি অহৰহ চেষ্টা অব্যাহত ৰাখিছো। আহক আমি সকলোৱে অসম সাহিত্য সভাৰ পৱিত্ৰ পতাকাৰ তলত সমবেত হৈ ভাষা জননীৰ সেৱাত ব্ৰতী হওঁ। যোৱা ১ ছেপ্টেম্বৰত শোণিতপুৰ জিলাৰ তেজপুৰ চিকিৎসা মহাবিদ্যালয় প্ৰাঙ্গণত দিনৰ ২-৪৫ বজাৰ পৰা নতুন শাখা শাখা গঠন সম্পৰ্কে মহাবিদ্যালয়খনৰ প্ৰেক্ষাগৃহত এখনি ৰাজহুৱা সভা অনুষ্ঠিত যায়। মহাবিদ্যালয় খনৰ অধ্যক্ষ তথা বিশিষ্ট লেখক, সুসাহিত্যিক অধ্যাপক ডাঃ কৰুণা হাজৰিকা দেৱৰ সভাপতিত্ব আৰু মহাবিদ্যালয় খনৰ কৰ্মচাৰী তথা অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক তথা সাহিত্যকৰ্মী, সাংবাদিক ৰমেন ভৰালীয়ে আঁতধৰা সভাখনত শোণিতপুৰ জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা শোণিতপুৰ জিলাৰ কেন্দ্ৰীয় প্ৰতিনিধি বাসুদেৱ শৰ্মা আৰু শোণিতপুৰ জিলা সাহিত্য সভাৰ উপ সভাপতি তথা বিশিষ্ট লেখক প্ৰবীণ কটকীয়ে অতিথি হিচাপে অংশ গ্ৰহণ কৰি ভাষণ প্ৰদান কৰে। সভাপতিৰ ভাষণত চিকিৎসা মহাবিদ্যালয়খনৰ অধ্যক্ষ ডাঃ কৰুণা হাজৰিকাই কয় যে ১৯৬৮ তেজপুৰত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিৱেশনত শিশু হিচাবে অংশ গ্ৰহণৰ কথা কৈ নষ্টালজিক হৈ পৰে। তেখেতে আৰু কয় যে চিকিৎসা সেৱা বহু ব্যস্ততাৰ মাজতো মনত খুদোৱাই থকা কথাবোৰ মই ব্যক্তিগতভাৱে লিখি ৰাখো আৰু সময় সুবিধা পালে সেইবোৰ প্ৰকাশৰ ব্যৱস্থা কৰো ।নিজৰ লেখা ছপা আখৰত ওলোৱাটোৱেই এজন লেখকৰ বাবে ডাঙৰ কথা। ইয়াৰ উপৰিও চিকিৎসা মহাবিদ্যালয় খনৰ চিকিৎসক তথা কৰ্মচাৰী সকলে শাখা সাহিত্য সভাৰ জৰিয়তে নিজকে অসম সাহিত্য সভাত নিজকে সংপৃক্ত কৰিবলৈ ওলোৱাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে। সভাৰ মাজতে অধ্যক্ষ গৰাকীয়ে নিজে মুখ্য সম্পাদক ৰূপে সম্পাদনা কৰা স্পন্দন স্বাস্থ্য আৰু জীৱনশৈলী নামৰ দ্বিমাসিক আলোচনীখন অতিথি সকলক আগবঢ়ায়। ইয়াৰ পিছতে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° কৰুণা হাজৰিকাক সভাপতি, ডাঃ নিতু কুমাৰ গগৈক উপ-সভাপতি মনোজ কুমাৰ নাথক সম্পাদক, নিপন জ্যোতি শৰ্মা, প্ৰেৰণা ৰাজখোৱাক সহকাৰী সম্পাদক, জয়ৰাজ শইকীয়াক কোষাধ্যক্ষ, প্ৰকাশন সচিব গিৰিজা কুমাৰ, পত্ৰিকা সম্পাদক সুভ্ৰজিৎ সেনগুপ্তা আৰু সাংগঠনিক সম্পাদক তৃপ্তিৰাণী দাসক লৈ তেজপুৰ চিকিৎসা মহাবিদ্যালয় শাখা সাহিত্য সভা নামাকৰণেৰে নতুন শাখাটি গঠন কৰা হয়। সভাৰ মাজতে অধ্যক্ষ গৰাকীক হিতৈষী সভ্যৰ প্ৰমাণ-পত্ৰ আৰু কেইবাগৰাকী সদস্যক আজীৱন সভ্যৰ প্ৰমাণ-পত্ৰ বিতৰণ কৰা হয়। উল্লেখ্য অতি গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰায় ডেৰ শতাধিক চিকিৎসক আৰু কৰ্মচাৰী উপস্থিতিত সভাখন সফলভাৱে সামৰণি পৰে। শলাগ জ্ঞাপন কৰে ৰমেন ভৰালীয়ে।

# শোণিতপুৰৰ ঠেলামৰাত পিতা-পুত্ৰৰ স্বাৱলম্বিতাৰ এক সুন্দৰ নিদৰ্শন

## ২৫ বিঘা মাটিত চাহ খেতি কৰি উচিত মূল্য পাবলৈ সক্ষম



**চন্দন শৰ্মা, তেজপুৰ ঃ** শোণিতপুৰ জিলাৰ ঠেলামৰাৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ দুৰত্বত অৱস্থিত বৰগাঁৱত পিতা পুত্ৰৰ স্বাৱলম্বিতাৰ এক সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। ঠেলামৰাৰ বৰগাঁও নিবাসী ডিম্বেশ্বৰ দাস আৰু পুত্ৰ বিশ্বজিৎ দাসে ২৫ বিঘা নিজ ভূমিত বৈজ্ঞানিক পদ্ধতিৰে চাহ খেতিৰে অধিক উৎপাদন কৰি বৰ্তমান উচিত মূল্য পাবলৈ সক্ষম হৈছে। বৰ্তমান সময়ত চাহপাতৰ উচিত মূল্য নোপোৱাক লৈ ঠায়ে ঠায়ে তীব্ৰ প্ৰতিবাদ চলি আছে তেনে সময়তে এই দুগৰাকী আদৰ্শ খেতিয়কে অধিক পৰিশ্ৰমৰে চাহ খেতি কৰি নিজৰ উচিত মূল্য পোৱাৰ লগতে আন দহজনৰ বাবে আদৰ্শ হোৱাত বিশেষ চৰ্চা লাভ কৰিছে। তেওঁলোকে আন খেতিয়কসকলক এটাই কথাই কয় যে নিজে যিমান পাৰে উন্নত মানদণ্ডৰ চাহপাত চিঙিলে নিশ্বয় উচিত মূল্য পাবলৈ সক্ষম হ'ব। লগতে ফেক্টৰীসমূহৰ স্বত্বাধিকাৰসকল কয় যে আপোনালোকে খেতিয়কসকলৰ পৰা উচিত মূল্যৰ পৰা বঞ্চিত নকৰি উন্নত মাণদণ্ডৰ কেচাঁ চাহপাত লওক ।বৰ্তমান তেওঁলোকে উন্নত মাণদণ্ডৰ কেচাঁ চাহপাত ঢেকিয়ালি বাগানত প্ৰদান কৰি কেজিত বাসত্তৰ আৰু পঞ্চাশ টকাকৈ পাবলৈ সক্ষম হৈছো ।প্ৰতিজন চাহ খেতিয়কে যদি উন্নত মাণদণ্ডৰ কেচাঁ চাহপাত চিঙি ফেক্টৰীত প্ৰদান কৰিলে নিশ্চয় উচিত মূল্য পোৱাৰ লগতে চাহপাতৰ বজাৰখন বিশ্ব দৰবাৰত জিলিকি থাকিব বুলিও কয় খেতিয়কজনে।

# শুৱালকুছিৰ অবৈধ সাপ্তাহিক বজাৰক লৈ সৰৱ শ্ৰীশ্ৰীশংকৰদেৱৰ মন্দিৰ




**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুছিৰ এখন অনুজ্ঞাপত্ৰবিহীন সাপ্তাহিক বজাৰক লৈ সৰৱ হৈ উঠিছে মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰ, শুৱালকুছি। শুৱালকুছিৰ বৰখাৰাৰ সমীপত বহা এই বিসঙ্গতি পূৰ্ণ বজাৰখনে অনুমতি বিহীন তথা ৰাজহ ফাঁকি দি ব্যৱসায় কৰি মুনাফা লুটাৰ উপৰিও মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰৰ সাপ্তাহিক বজাৰৰ বেপাৰী সকলকো অবৈধ বজাৰৰ নেতৃত্বাধীনসকলে ভাবুকি দি বজাৰলৈ অহা বন্ধ কৰাৰ অভিযোগ তুলি সংবাদমেলত সদৰি কৰে শংকৰদেৱৰ মন্দিৰৰ পৰিচালনা সমিতিয়ে। মহাপুৰুষীয়া ধৰ্মালোচনী সভা, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰৰ সম্পাদক মৃদুল বৈশ্যই সংবাদমেলত জানিবলৈ দিয়া মতে, শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰৰ লক্ষ্মীনাথ নগৰৰ নিজ জমিত এখন সাপ্তাহিক বজাৰ স্থাপন কৰাৰ মানসিকতা লৈ বজাৰৰ যাৱতীয় নথি-পত্ৰৰ সহিত আমিনগাঁওস্থিত বিভাগীয় কাৰ্যালয়ত সাপ্তাহিক বজাৰ স্থাপনৰ অনুমতি বিচাৰি আবেদন জনায়। আবেদন অনুযায়ী বুধবাৰ আৰু দেওবাৰত সাপ্তাহিক বজাৰ বহাৰ অনুমতি দিয়ে। আনকি চৰকাৰী পক্ষৰ লগত বজাৰৰ মাহিলী ৰাজহৰো শপতনামা স্বাক্ষৰিত কৰা হয়। সেই মৰ্মে যোৱা ২০ এপ্ৰিলত সাপ্তাহিক বজাৰ উন্মোচন কৰা হয়। ইপিনে এবছৰ পূৰ্বে বহা আন এখন অনুজ্ঞাপত্ৰ বিহীন সাপ্তাহিক বজাৰে মন্দিৰৰ বজাৰখন চলে বলে কৌশলে বন্ধ কৰাত উঠি-পৰি লাগে। আনকি শংকৰদেৱৰ মন্দিৰৰ সাপ্তাহিক বজাৰলৈ অহা বেপাৰীসকলক ভাবুকি দি শংকৰদেৱৰ মন্দিৰৰ বজাৰলৈ অহা বন্ধ কৰে। ফলত শংকৰদেৱৰ মন্দিৰৰ সাপ্তাহিক বজাৰত বেপাৰী গ্ৰাহক তাকৰীয়া হৈ পৰাত লোকচান ভৰিব লগাত পৰে। ইফালে শংকৰদেৱৰ মন্দিৰৰ বিষয়ববীয়াসকলে অবৈধ বজাৰৰ অভিযোগ তুলি বজাৰখন বন্ধ কৰাৰ দাবী তোলে। সেই মৰ্মে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাগৃহত কামৰূপ আয়ুক্ত আৰু মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়াৰ উপস্থিতিত কেইবাবাৰো দুয়োপক্ষৰ যুটীয়া আলোচনাত আপোচ মীমাংসা আলোচনা কৰা হয়। যদিও কোনো সুস্থিৰ মীমাংসাত উপনীত নহ'ল। অকৰা মৈত উঠা অবৈধ বজাৰৰ স্বত্বাধিকাৰী স্থানীয় যুৱকৰ দলিয়ে কোনো চৰ্তত বজাৰ বন্ধ নকৰে কিম্বা ৰাজহ নিদিয়াৰ দম্ভালি মাৰে বুলি সংবাদমেলত কয়। আনহাতে বাৰে বাৰে অবৈধ বজাৰখনৰ অবৈধতা আৰু বজাৰৰ পৰিৱেশে চাৰিশৰীয়া পথত যান-জঁটতে পথটি দুৰ্ঘটনা জ'নত পৰিণত হোৱাৰ কথা প্ৰশাসনক জনোৱাৰ পিচতো বজাৰখন বন্ধ কৰাত প্ৰশাসন কিয় ব্যৰ্থ সেয়া এক নুবুজা সাঁথৰ বুলিও সদৰূ কৰে। অতিশীঘ্ৰেই প্ৰসাশনে অবৈধ বজাৰ বন্ধ নকৰিলে মহাপুৰুষীয়া ধৰ্মালোচনী সভা শ্ৰীশ্ৰীশঙ্কৰদেৱৰ মন্দিৰৰ সমূহৰ ৰাইজে পথ অৱৰোধকে ধৰি বিভিন্ন আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিব বুলিও কয়। সম্পাদক মৃদুল বৈশ্যই আতঁ ধৰা সংবাদমেলত শংকৰদেৱৰ মন্দিৰৰ সভাপতি বিমল চন্দ্ৰ মেধি, উপ-সভাপতি প্ৰফুল্ল ডেকা, উপদেষ্টা দীনবন্ধু মহন্ত, প্ৰাক্তন সভাপতি সদা ৰাম দাস, প্ৰাক্তন সম্পাদক ৰামেশ্বৰ দাস, সহকাৰী সম্পাদক চন্দ্ৰসিং ডেকা, গুৰুসেৱক কামাখ্যা মেধি, ভূপেন দাস আৰু কুমাৰ প্ৰদীপ দাসকে ধৰি বহুসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

# শিক্ষক দিৱসত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ সহযোগিতা

■ **শংকৰ দেৱ,** দেৰগাঁও

**ভা**ৰতবাসীৰ বাবে প্ৰতি বছৰৰ ৫ ছেপ্তেম্বৰৰ দিনটো এটা বিশেষ দিন। এই দিনটোতে দেশজুৰি ভাৰতৰ অন্যতম মহান শিক্ষাবিদ, দাৰ্শনিক আৰু চিন্তাবিদ ড° সৰ্বপল্লী ৰাধাকৃষ্ণনৰ জন্মদিনৰ স্মৃতিত শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। সমূহ বিদ্যালয়, মহাবিদ্যালয় আৰু শিক্ষা প্ৰতিষ্ঠানত শিক্ষক দিৱসৰ দিনা ছাত্ৰ-ছাত্ৰীসকলে নানান সাংস্কৃতিক অনুষ্ঠান, আলোচনা, নাটক, সংগীত, বিশিষ্ট ব্যক্তিৰ ভাষণ আদিৰ আয়োজন কৰে যদিও আজিৰ সময়ত এই দিৱসটোক অধিক অৰ্থৱহ কৰি তোলাত অভিভাৱকৰ সহযোগিতাৰ অতিকৈ প্ৰয়োজন আছে। যিহেতু অভিভাৱকসকলে বিদ্যালয়ৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিলে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলৰ উৎসাহ দুগুণে বৃদ্ধি পায়। আজিৰ ছাত্ৰ-ছাত্ৰী আগন্তুক দিনৰ ভৱিষ্যত। সেয়েহে শিক্ষক আৰু অভিভাৱক দুয়ো হাতত হাত মিলাই আগবাঢ়িলেহে ভৱিষ্যতলৈ সমাজত সৎ, দায়িত্বশীল আৰু জ্ঞানী নাগৰিকৰ সৃষ্টি হ'ব।

৫ ছেপ্টেম্বৰৰ শিক্ষক দিৱস কেৱল আনুষ্ঠানিকতা পালনৰ বাবেই নহয়, ই এক উল্লেখনীয় দিন হিচাপে ধৰি ল'ব লাগে, কাৰণ এই দিৱসত শিক্ষকক সন্মান কৰাৰ লগতে অভিভাৱকে সক্ৰিয়ভাৱে যোগদান কৰিলে শিক্ষাৰ প্ৰকৃত লক্ষ্য সাধন হোৱাত সুবিধা হয়। শিক্ষকসকলৰ পৰিশ্ৰমক সন্মান জনোৱা কেৱল ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰেই দায়িত্ব নহয়, ই সমাজৰো এক গধুৰ দায়িত্ব। সমাজ গঠন, সভ্যতা ৰক্ষা আৰু ভৱিষ্যৎ প্ৰজন্ম গঢ়ি তোলাত শিক্ষক আৰু অভিভাৱকৰ মিলিত প্ৰচেষ্টাই অগ্ৰগণ্য ভুমিকা গ্ৰহণ কৰে।

শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱক এই তিনিটাই স্তম্ভই সমাজ আৰু দেশৰ ভৱিষ্যতৰ বাবে মূল আধাৰ। এজন শিক্ষকে বিদ্যালয়ত শৃঙ্খলা, নৈতিকতা, জ্ঞান আৰু আদৰ্শৰ ভেটি স্থাপন কৰে, কিন্তু ঘৰতহে অভিভাৱকে তাক দৃঢ়ভাৱে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰিব লাগে। যদি অভিভাৱকসকলে বিদ্যালয়ৰ অনুষ্ঠান সমূহত অংশগ্ৰহণ কৰে, সন্তানক শিক্ষকক প্ৰতি সন্মান দেখুৱাবলৈ উৎসাহিত কৰে আৰু বিদ্যালয়ৰ নিয়ম-নীতি পালনৰ ক্ষেত্ৰত দিশ নিৰ্দেশ দিয়ে, তেন্তে শিক্ষা ব্যৱস্থা অধিক ফলপ্ৰসূ হ'ব লগতে সঠিক নৈতিকতাৰে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ভৱিষ্যত লৈ নিজকে সুনাগৰিক হিচাপে গঢ়ি তুলিব পাৰিব।

# বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মহাৰজত জয়ন্তী




**জয়ন্ত মুদৈ, নগাঁও ঃ** নগাঁও জিলাৰ উচ্চ শিক্ষাৰ অন্যতম আগশাৰীৰ প্ৰতিষ্ঠান হৈছে বটদ্ৰৱা শ্ৰীশ্ৰীশংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ গুৰুজনাৰ পৱিত্ৰ জন্মভূমিত ১৯৫০ চনৰ কোনো এক শুভক্ষণত বহুকেইজন সমাজহিতৈষী লোকৰ ঐকান্তিক আৰু আশাশুধীয়া প্ৰচেষ্টাত গঢ়ি উঠিছিল মহাপুৰুষজনাৰ নামেৰে সুশোভিত এই শিক্ষা প্ৰতিষ্ঠাখনি। প্ৰতিষ্ঠা কালৰে পৰা বৃহত্তৰ অঞ্চলটোৰ নৱ প্ৰজন্মক সুশিক্ষাৰে শিক্ষিত কৰি তোলাত অগ্ৰণী ভূমিকা পালন কৰি অহা এই শিক্ষা প্ৰতিষ্ঠানখনে ইতিমধ্যে সগৌৰৱে ৭৫ টা বৰ্ষ গৰকিবলৈ সক্ষম হৈছে। সেয়ে বিদ্যালয় কৰ্তৃপক্ষই স্থানীয় ৰাইজৰ সহযোগত বছৰজোৰাকৈ বৰ্ণিল কাৰ্যসূচীৰে উদ্‌যাপনৰ দিহা কৰা মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি উৎসৱটি দেওবাৰে বেছ উলহ-মালহেৰে অনুষ্ঠিত কৰা হয়। তদানুযায়ী, পুৱাৰে পৰা বিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰীৰ লগতে শুভাকাংক্ষী আৰু স্থানীয় ৰাইজৰ উপস্থিতিৰে বিদ্যালয়ৰ চৌহদ একপ্ৰকাৰে উদুলি-মুদুলি হৈ পৰা দেখা যায়। কাৰ্যসূচী অনুসৰি এক উৎসৱমুখৰ পৰিবেশত পুৱা ৯ বজাত উদ্‌যাপন সমিতিৰ সভাপতি তথা বিধায়ক ৰূপক শৰ্মাই পতাকা উত্তোলন কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰে নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ অম্লানজ্যোতি দেৱ গোস্বামী আৰু শলগুৰি সত্ৰৰ সত্ৰাধিকাৰ যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই। ইয়াৰ পিছতে জ্যেষ্ঠ শিক্ষক দিপাংক গিৰি দেৱ গোস্বামীয়ে আঁত ধৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত উৰুলিৰ মাংগলিক ধ্বনিৰ মাজেৰে মহাৰজত জয়ন্তীৰ স্থায়ী 'স্মাৰক'ৰ আধাৰশিলা স্থাপন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বিধায়ক ৰূপক শৰ্মাই প্ৰদান কৰা নিজৰ ভাষণত গৌৰৱোজ্জ্বল ৭৫ বছৰত ভৰি দিবলৈ সক্ষম বটদ্ৰৱা শ্ৰীশ্ৰী শংকৰদেৱৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়খন যিসকল মহান ব্যক্তিৰ ত্যাগৰ বলত জন্ম লাভ কৰিছিল সেইসকলক গভীৰভাৱে স্মৰণ কৰে। পুৱা ১০ বজাত প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পঞ্জীয়নৰ শুভাৰম্ভৰ পিছতে স্থানীয় অঞ্চলৰ মাজেৰে এটি বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা হিৰামনি বৰুৱাই শুভাৰম্ভ কৰা শোভাযাত্ৰাত ছাত্ৰ-ছাত্ৰীসকলে গায়ন-বায়ন, ভাওনা সংস্কৃতি, তিৱা, বৰো, কাৰ্বি আদি জনগোষ্ঠীয় কলা-কৃষ্টি প্ৰদৰ্শন কৰাৰ বিপৰীতে পদব্ৰজে পৰিভ্ৰমণ কৰা বৰ্ণিল শোভাযাত্ৰাটিয়ে বৃহত্তৰ অঞ্চল উজ্বলাই তোলে। বিয়লি প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ অন্তৰংগ মত বিনিময় আৰু মহাৰজত জয়ন্তীৰ শুভাৰম্ভণি অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

# শিক্ষাগুৰু আৰু শিক্ষক দিৱস

■ **অনামিকা (সংগীতা) কলিতা,** শুৱালকুছি



জ্ঞানৰ পোহৰেৰে উজলাই
সময়ৰ সুগন্ধি নৈ
শিষ্যৰ প্ৰগতি মনৰ শকতি
সাফল্যৰ আশীষ বিচাৰি
জয়ৰ উল্লাস।

বোৱতী নৈৰ দুয়ো পাৰ এফালে পোহৰ আনফালে আন্ধাৰ। আন্ধাৰখিনি আঁতৰাই পোহৰৰ পথ দেখুৱাই লৈ যোৱা ব্যক্তি গৰাকীয়ে হ'ল শিক্ষাগুৰু। যাৰ কাৰণে জ্ঞান ল'ব পাৰিছে সকলোৱে, তেনে এজন শিক্ষাগুৰু সকলোৰে পৰিচিত জগতত এক বিৰল উদাহৰণ তেখেত নাই যদিও তেখেতৰ গুণ গৰিমা দশোদিশে প্ৰৱাহিত হৈ আছে আৰু থাকিব চিৰ দিনলৈ-

৫ ছেপ্টেম্বৰ দিনটো পৱিত্ৰ দিন। এই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। ইয়াৰ অন্তৰালত এগৰাকী মহান মনীষীৰ জন্মদিন তেখেতক আমি শ্ৰদ্ধাৰে সোঁৱৰো সেই গৰাকী মহান ব্যক্তি 'ড° সৰ্বপলী ৰাধাকৃষ্ণণ'।

ড° সৰ্বপলী ৰাধাকৃষ্ণণৰ জন্ম হয় ১৮৮৮ চনৰ ৫ ছেপ্টেম্বৰ তাৰিখে মাদ্ৰাজৰ তিৰুটানি নামে ঠাইত। তেওঁ মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। এগৰাকী আদৰ্শ ব্ৰাহ্মণৰ সন্তান আছিল। পিতৃৰ নাম সৰ্বপলী ৱীৰাস্বামী আৰু মাতৃ সীতাম্মা, তেওঁলোকৰে সুদক্ষ মেধা সম্পন্ন সন্তান আছিল ৰাধাকৃষ্ণণ। দেউতাক সাধাৰণ কৰ্মচাৰী ব্ৰাহ্মণ হ'লেও ভাৱধাৰা উচ্চস্তৰৰ আছিল। যাৰ কাৰণে ৰাধাকৃষ্ণণে খ্ৰিষ্টিয়ান মিশ্যনেৰীসকলে দ্বাৰা স্থাপিত স্কুল কলেজত পঢ়ি দৰ্শন বিভাগত অনাৰ্চ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ইয়াৰ পিছত মাষ্টাৰ ডিগ্ৰী লাভ কৰি অধ্যাপক জীৱনৰ পাতনি মেলিছিলা। এজন আদৰ্শ দাৰ্শনিক শিক্ষা জীৱনৰ লগত জড়িত ব্যক্তি আছিল। পাছলৈ এই জ্ঞানী পুৰুষজনেই দুবাৰকৈ উপৰাষ্ট্ৰপতি, এবাৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। নাইট উপাধি আৰু ভাৰত ৰত্ন উপাধিৰে বিভূষিত ব্ৰহ্মজ্ঞানী ব্যক্তিজনৰ জীৱন ধাৰণ প্ৰণালী সাধাৰণ। দেশৰ সৰ্বোচ্চ সন্মানৰ অধিকাৰী হৈছিল যদিও বিশ্ববাসীৰ চকুৰ আগত তেখেতৰ স্থান আছিল এজন মহান দাৰ্শনিক আৰু শিক্ষক হিচাপে। এই স্থান চিৰদিনলৈ লিপিবদ্ধ থাকিব যুগ যুগান্তৰলৈকে।

বৰ্তমান যুৱ প্ৰজন্ম শিক্ষাৰ্থীসকলৰ কিছু সংখ্যক অন্ধকাৰ দিশলৈ গতি কৰা দেখিছোঁ। দেখি মন সেমেকি যায়। হত্যা, হিংসা চাৰিওফালে কলুষিত বাতাবৰণ শুদ্ধ পথৰ প্ৰদৰ্শক হিচাপে 'ড° সৰ্বপলী ৰাধাকৃষ্ণণ'ৰ দৰে শিক্ষাগুৰুৰ বিশেষ প্ৰয়োজন আছে। বুৰঞ্জী প্ৰতিটো লিপি এবাৰ চকু ফুৰাই চাওঁ শিক্ষাগুৰুসকলৰ সেই তাহানিৰ পৰা বৰ্তমানলৈকে এক উল্লেখযোগ্য ভূমিকা আছিল আৰু বৰ্তমানো থাকিব।

৫ চেপ্টেম্বৰ তাৰিখটো শিক্ষক দিৱস হিচাপে পালন কৰোতে শিক্ষাগুৰু আৰু শিক্ষাৰ্থীৰ মাজৰ সম্পৰ্ক আৰু দায়িত্বশীল মনোভাৱ প্ৰকাশ পায়। এই দিনটোত অনুভৱ কৰাই শিক্ষাৰ্থীৰ জীৱনত শিক্ষাগুৰুৰ ভূমিকা। এইটো নুই কৰিব নোৱাৰি এগৰাকী শিক্ষাৰ্থী বা শিশুৰ জীৱনৰ আদিগুৰু হ'ল পিতৃ-মাতৃ। তেওঁলোকৰো অৱদান আছে।

**ম'বাইল ঃ ৭০০২৯-৪২৫৯১**

অসম চৰকাৰ

# মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনি

উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ বাবে অসম চৰকাৰৰ অভিলাষী পদক্ষেপ





ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

অসমৰ ৩৮০ৰো অধিক স্থানত একেটা দিনতে আনুষ্ঠানিকভাৱে আবেদন-পত্ৰ বিতৰণ

## সুবিধাসমূহ

| শাখা | মাহিলি ধনৰাশি * | সৰ্বাধিক মুঠ পুঁজি |
|---|---|---|
| উচ্চতৰ মাধ্যমিক (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,০০০ টকা | ১০,০০০ টকা |
| স্নাতক আৰু সংহত শিক্ষক শিক্ষা কাৰ্যসূচী পাঠ্যক্ৰম (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ১,২৫০ টকা | ১২,৫০০ টকা |
| স্নাতকোত্তৰ আৰু বি এড (প্ৰথম আৰু দ্বিতীয় বৰ্ষ) | ২,৫০০ টকা | ২৫,০০০ টকা |

*বন্ধৰ সময়ছোৱা বাদ দি সৰ্বাধিক ১০ মাহৰ বাবে পুঁজি লাভৰ সুবিধা

## সময়সূচী ২০২৫-২৬

| কাৰ্যসূচীসমূহ | সময়সূচী |
|---|---|
| আবেদন-পত্ৰ বিতৰণ | ৬ আগষ্ট – উচ্চতৰ শিক্ষা আৰু এছ চি ই আৰ টি |
| | ৭, ৮, ৯ আগষ্ট – মাধ্যমিক শিক্ষা |
| মহাবিদ্যালয়/বিদ্যালয় কৰ্তৃপক্ষৰ দ্বাৰা ছাত্ৰীৰ তথ্য আপলোডৰ বাবে প'ৰ্টেল মুকলি | ৭ আগষ্ট |
| প'ৰ্টেল বন্ধ | ৫ ছেপ্টেম্বৰ |
| এছ বি আই প'ৰ্টেলত তথ্য আপলোড | ১৫ ছেপ্টেম্বৰ |
| চেক বিতৰণ | অক্টোবৰ |

২০২৪-২৫ বৰ্ষ
১.৬ লাখ ছাত্ৰীৰ বাবে
১৩৩ কোটি টকা বিতৰণ

২০২৫-২৬ বৰ্ষ
৪ লাখ+ ছাত্ৰীলৈ
নিযুত মইনা আঁচনিৰ সুবিধা

## সামাজিক প্ৰভাৱ

- উচ্চ শিক্ষাত ছাত্ৰীৰ নামভৰ্তি বৃদ্ধি
- বাল্য বিবাহ তথা কৈশোৰকালীন মাতৃত্ব প্ৰতিৰোধ
- আৱেগিক, মানসিক আৰু শাৰীৰিকভাৱে পৰিপক্ক নোহোৱা পৰ্যন্ত কন্যাৰ বিবাহ ৰোধ
- শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষাৰ অধিকাৰ সুনিশ্চিতকৰণ

## অৰ্হতা

- অসমত স্থায়ীভাৱে বাস কৰা ছাত্ৰী
- নিম্নোল্লিখিত পাঠ্যক্ৰম গ্ৰহণ কৰা ছাত্ৰী
  - উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰম
  - নতুন শিক্ষা নীতি ২০২০ৰ অধীনৰ সংহত শিক্ষক শিক্ষা কাৰ্যসূচীৰ পাঠ্যক্ৰম
  - চৰকাৰী শিক্ষানুষ্ঠানত স্ব-পুঁজিৰে গ্ৰহণ কৰা পাঠ্যক্ৰম

## কোনে আঁচনিখনৰ সুবিধা লাভ নকৰে?

- বিবাহিতা ছাত্ৰী (স্নাতকোত্তৰ আৰু বি এড শিক্ষাৰ্থীৰ বাদে) আৰু চাকৰিয়াল বি এড ছাত্ৰী
- মন্ত্ৰী, সাংসদ আৰু বিধায়কৰ কন্যা
- বাণীকান্ত কাকতি বঁটা (স্কুটী) লাভ কৰা ছাত্ৰী
- ব্যক্তিগত শিক্ষানুষ্ঠানৰ ছাত্ৰী

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত | Connect with us @diprassam | dipr.assam.gov.in

Janasanyog RO no 1906/25/5-September-25

# নীৰৱতাক গীতৰ জৰিয়তে কথা ক'বলৈ দিয়াটো কঠিন কাম ঃ তৰালি শৰ্মা

## কমল বৰুৱাৰ 'কথা কোৱা হে নীৰৱতা' কবিতাক তৰালি শৰ্মাৰ সাংগীতিক ৰূপ




**পৰেশ বৈশ্য, গুৱাহাটী ঃ** বিশিষ্ট কবি তথা শোণিতপুৰ জিলাৰ বৰচলা সমজিলাৰ আয়ুক্ত কমল বৰুৱাৰ জনপ্ৰিয় কবিতা 'কথা কোৱা হে নীৰৱতা'ক সাংগীতিক ৰূপ দি যশস্বী শিল্পী তৰালি শৰ্মাই কৰাই কৰা গানটো ৩১ আগষ্টৰ সন্ধিয়া গুৱাহাটীৰ হোটেল শ্বুলিন গ্ৰেণ্ডত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মুকলি কৰা হয়। গানটো উন্মোচন কৰি দিয়া ভাষণত সাহিত্য অকাডেমিৰ যুৱ বঁটা প্ৰাপকৰ তথা বিশিষ্ট কবি বিজয় শংকৰ বৰ্মনে কয় যে তৰালি শৰ্মাৰ দৰে গুণী শিল্পীয়েহে কবিতাক সাৰ্থকভাৱে সংগীতৰ ৰূপ দিব পাৰে। কমল বৰুৱাৰ 'কথা কোৱা হে নীৰৱতা' শীৰ্ষক কবিতাটোৰ প্ৰসংগ উল্লেখ কৰি তেওঁ আৰু কয় যে কমল বৰুৱাই এফালে ধুনীয়া আৰু আনফালে পংকিল পৃথিৱীৰ মাজত অৱস্থান কৰি যি যন্ত্ৰণাৰ সাক্ষী হৈছে তাক ইয়াৰ জৰিয়তে কাব্যায়িত কৰিছে। নীৰৱতাত থকা শুকান ৰসক গানৰ জৰিয়তে তৰালি শৰ্মাই জীপাল কৰি তোলা বুলিও তেখেতে মন্তব্য কৰে। অনুষ্ঠানত ভাষণ দি বিশিষ্ট শিল্পী তৰালি শৰ্মাই কয় যে নীৰৱতাক গীতৰ জৰিয়তে কথা ক'বলৈ দিয়াটো কঠিন কাম। নীৰৱতাৰো জীৱন থাকে, থাকে এক সত্ত্বা। তেওঁ আৰু কয় যে কবিতাৰ বিষয়বস্তু উপলব্ধি কৰিব নোৱাৰিলে তাক গীতৰ সভালৈ অনাটোত সাৰ্থক হ'ব নোৱাৰি। তেওঁ কমল বৰুৱাৰ সৃষ্টিশীল মন আৰু ৰঙৰ পৃথিৱীত থাকি সঁচা পৃথিৱীৰ ছবি অংকন কৰিব পৰা দক্ষতাৰো শলাগ লয়। সভাত ভাষণ দি 'অসমীয়া খবৰ' কাকতৰ মুখ্য সম্পাদক বিশ্বজিৎ দাসে কমল বৰুৱাৰ কবিতাটোক সাংগীতিক ৰূপ দিয়াত তৰালি শৰ্মাৰে হোৱা সংযোগৰ কথা কয়। তেওঁ কমল বৰুৱাৰ কাপৰ পৰা আৰু নতুন সৃষ্টিৰ আশা কৰে। সভাত ভাষণ দি যশস্বী লেখক, সমালোচক জ্যোতি খাটনিয়াৰে কয় যে অতি সম্প্ৰতি গানৰ জগতৰ পৰা পৰিশীলিত ব্যক্তিত্ববোৰ ক্ৰমাৎ আঁতৰি যাব ধৰিছে। কিন্তু ভাৰতীয় সংগীতৰ এক ধ্ৰুপদী চেতনা থকা বাবে তেনে সংগীতত পৰিশীলিত ব্যক্তিত্ব অনুভূত হয়, যিটো পশ্চিমীয়া সংগীতৰ ধাৰাত সাধাৰণতে অবিদ্যমান। তেওঁ কয় যে গান গোৱা মানুহজন আৰু তেওঁৰ ব্যক্তিত্বৰ এক সুষম সমন্বয় থকা প্ৰয়োজন। তৰালি শৰ্মাই এই গুণৰ অধিকাৰী হোৱা বাবেই সংগীতৰ জগতত উজ্বলি থকা বুলি তেওঁ কয়। তেওঁ কয় যে গান এটা যদি শুনাৰ পাছত বুজাই দিব লগা হয়, তেন্তে সেই সংগীত বিশুদ্ধ হ'ব নোৱাৰে। কমল বৰুৱাৰ কবিতাৰ আলোচনা কৰিবলৈ গৈ খাটনিয়াৰে আৰু কয় যে অসমীয়া ভাষাত প্ৰকৃত কবিৰ মৃত্যু হৈছে। ইয়াৰ যুক্তি দাঙি ধৰি তেওঁ কয় যে কবিৰ প্ৰধান সমস্যা হ'ল তেওঁ নিৰ্দিষ্ট ধৰণৰ এক ভাষা শৈলী গঢ়ি তুলিব লগা হয়, যিটো এগৰাকী কবিৰ বাবে বৰ দীঘলীয়া প্ৰক্ৰিয়া। কবিৰ কবিতাৰ ভাষাই এক মৰ্যদা আৰু স্বতন্ত্ৰতা নাপালে সেই কবিতাই সাৰ্থকতা লাভ নকৰে। তেওঁ কয় যে প্ৰখ্যাত অসমীয়া কবি নীলমণি ফুকনেও আনকি এক দীঘলীয়া যাত্ৰাৰ অন্ততহে নিজৰ কবিতালৈ শ্ৰেষ্ঠত্ব আনিব পাৰিছে। এই ক্ষেত্ৰত অসমৰ কেৱল অজিত বৰুৱা আৰু হীৰেন ভট্টাচাৰ্যইহে কাব্যানুশীলনৰ প্ৰাৰম্ভিকৰ পৰাই কবিতা ভাষাৰ ক্ষেত্ৰত মৰ্যদা আৰু স্বতন্ত্ৰতা লাভ কৰিবলৈ সমৰ্থ হৈছে বুলিও তেওঁ কয়। তেওঁ আৰু কয় যে কমল বৰুৱাৰ কবিতাৰ এক স্বকীয় ভাষাশৈলী আৰু শক্তিশালী চেতনা আছে। তেখেতে নীৰৱতাক কবিতাৰ বিষয় কৰি যি সম্পৰীক্ষা আৰম্ভ কৰিছে সেই ক্ষেত্ৰত সাৰ্থক হ'ব পাৰিছে। তেওঁ কয় যে সাম্প্ৰতিক কালত নীৰৱতাক বিষয় হিচাপে লৈ বিশ্বত ভালেমান কালজয়ী সাহিত্যৰ সৃষ্টি হৈছে। তাৰ সহযাত্ৰী হ'বলৈ কমল বৰুৱাৰ যি প্ৰয়াস সেয়া সফল হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। তেওঁ কবিসকলৰ সামাজিক দায়বদ্ধতাৰ প্ৰসংগ উল্লেখ কৰি কয় যে যেতিয়া কোনো গণতান্ত্ৰিক ব্যৱস্থাই জনসাধাৰণৰ কণ্ঠ ৰোধ কৰিব খোজে, তেতিয়া কবি-সাহিত্যিক সকলক অসুবিধাত পেলায়। কাৰণ মানুহৰ হৃদয়ৰ স্পন্দন প্ৰথমে কবি-সাহিত্যিকৰ চকুত ধৰা পৰে। তেতিয়া তেওঁলোকে জনগণক কি বাৰ্তা দিব সেইটো অতি গুৰুত্বপূৰ্ণ কথা বুলিও তেওঁ কয়। গুৰুকুল গ্ৰামাৰ স্কুলৰ কৃতী শিক্ষক ৰাহুল কিশোৰ ডেকাই আঁত ধৰা উক্ত অনুষ্ঠানৰ আৰম্ভণিতে গীতৰ ৰূপ দিয়া তেখেতৰ কবিতাটোৰ সৃষ্টিৰ আঁৰৰ কথা ব্যক্ত কৰে। এই গানটো তেখেতৰ জন্মদিনৰ এক স্মৰণীয় উপহাৰ বুলি মন্তব্য কৰে। ইয়াৰ বাবে তেখেতে শিল্পী তৰালি শৰ্মাৰ লগতে তেখেতৰ সহযোগীসকলৰ শলাগ লয়। অনুষ্ঠানত 'তাৰিখ' চলচিত্ৰৰ পৰিচালক হীমজ্যোতি তালুকদাৰ, লেখক - সাংবাদিক তথা শিক্ষাবিদ পৰেশ বৈশ্য, দ্বৈত কণ্ঠৰ শিল্পী পদুম বৰা প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। উক্ত অনুষ্ঠানত কামৰূপৰ অতিৰিক্ত আয়ুক্ত ডাঃ গৰ্গমোহন দাস, সংগীত শিল্পী পদুম বৰা, পাৱাৰগ্ৰীডৰ বিষয়া নৱজ্যোতি গগৈ, ছয়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক লক্ষ্যধৰ শৰ্মা আৰু ভাস্কৰ জ্যোতি কলিতাই গীত পৰিৱেশন কৰি আপ্লুত কৰে। এই অনুষ্ঠানতেই এন. বি নিউজৰ কাৰ্যবাহী সম্পাদক শান্তনু মহন্ত, ছয়গাঁও মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ৰাজীৱ ডেকা, জিণ্টু শৰ্মাই কবিতা পাঠ কৰে। উল্লেখযোগ্য যে কমল বৰুৱাৰ কবিতা 'কথা কোৱা হে নীৰৱতা' টোক তৰালি শৰ্মাই কণ্ঠদান কৰা গানটো ইতিমধ্যে ইউটিউবত উপলব্ধ হৈছে।

# শিক্ষক সমাজৰ ঘাই শিপা

■ **আয়শা ছিদ্দিকা (আছৰি)**
বাংলিপাৰা, বৰপেটা

**স**মাজ, দেশ এখন গঢ়িবলৈ এজন শিক্ষকৰ ভূমিকা অপৰিসীম। শিক্ষক এজনে সুস্থ সমাজ অসুস্থ কৰি তুলিব পাৰে। অসুস্থ সমাজ সুস্থ কৰি তুলিব পাৰে। এক অপ্ৰকাশ্য শক্তি যেন প্ৰতিজন শিক্ষকৰ গাত ঈশ্বৰপ্ৰদত্ত ৰূপত বিদ্যমান।

সমাজ এখন এক জীৱন্ত সত্তা, যাৰ বিকাশ আৰু পুষ্টিৰ বাবে প্ৰয়োজন এক সুদৃঢ় আৰু সুস্থ আধাৰ। এই আধাৰটো হ'ল মানুহ আৰু মানুহ গঢ়ি তোলাৰ মহান দায়িত্ব যিজন ব্যক্তিৰ ওপৰত ন্যস্ত, তেওঁ হ'ল শিক্ষক।

সঁচাকৈয়ে, শিক্ষকেই হ'ল সমাজৰ ঘাই শিপা, যাৰ পৰা উদ্ভৱ হয় জ্ঞান, নীতি-নৈতিকতা আৰু মানৱীয় মূল্যবোধৰ শাখা-প্ৰশাখা।

সম্যক দৃষ্টিত মাতৃয়ে প্ৰতিজন ব্যক্তিৰ প্ৰথম আৰু প্ৰধান শিক্ষক। সৰুৰে পৰা শুবলৈ, খাবলৈ, কথা পাতিবলৈ, আচৰণৰ প্ৰাথমিক শিক্ষা আমাৰ মাতৃৰ পৰাই আহে। পৰিয়ালৰ পৰা আৰম্ভ হোৱা শিক্ষাই আমাৰ ব্যক্তিত্বৰ ভেটি স্থাপন কৰে। পাছলৈ, এই ভেটিৰ ওপৰতেই বিদ্যালয়, মহাবিদ্যালয় আদি শিক্ষানুষ্ঠানসমূহৰ শিক্ষকসকলে জ্ঞান, বিজ্ঞান, কলা, সাহিত্য আৰু সমাজবিজ্ঞানৰ দৰে বিষয়সমূহৰ যোগেদি এক সুসভ্য আৰু সক্ষম নাগৰিক হিচাপে আমাক গঢ়ি তোলে। তেওঁলোকেই আমাক শিকায় যে কেনেকৈ জীয়াই থাকিব লাগে, কেনেকৈ আনৰ সৈতে মিলা-প্ৰীতিৰে থাকিব লাগে আৰু দেশ-সমাজৰ প্ৰতি থকা কৰ্তব্য সম্পাদন কৰিব লাগে।

শিক্ষক এজনে তেওঁৰ জ্ঞান, দৃষ্টিভংগী আৰু আদৰ্শৰ দ্বাৰা এক সুস্থ সমাজক অসুস্থ কৰি তুলিব পাৰে। যদি এজন শিক্ষকে ভুল, হিংসা, বিদ্বেষ, বিভেদৰ দৰে বিষয়বোৰ প্ৰচাৰ কৰে, তেন্তে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলো সেই বাটেই আগবাঢ়িব, ফলত সমাজত বিৰূপ প্ৰভাৱ পৰিব। আনহাতে, এজন যোগ্য আৰু চৰিত্ৰবান শিক্ষকে এক অসুস্থ সমাজক সুস্থ কৰি তুলিব পাৰে। তেওঁ নৈতিকতা, সহনশীলতা, দেশপ্ৰেম, সত্যৰ প্ৰতি থকা আগ্ৰহ আদি গুণসমূহ ছাত্ৰ-ছাত্ৰীৰ মনত সুমুৱাই দিব পাৰে। তেওঁলোকৰ দ্বাৰা প্ৰশিক্ষিত প্ৰজন্মইহে ভৱিষ্যতৰ সুস্থ, সমৃদ্ধিশালী আৰু শান্তিপূৰ্ণ সমাজ গঢ়ি তুলিব।

আচলতে শিক্ষকতা কেৱল এটা বৃত্তি নহয়, ই এক ত্যাগময়ী সাধনা। শিক্ষকসকলৰ ঈশ্বৰপ্ৰদত্ত এক অপ্ৰকাশ্য শক্তি বিদ্যমান, যাৰ জৰিয়তে তেওঁলোকে নিষ্পাপ মনক আলোকিত কৰে, অন্ধকাৰৰ পৰা পোহৰলৈ আনে। তেওঁলোকেই হ'ল সেই অস্ত্ৰ, যিয়ে মানৱ মনৰ ইমাৰত নিৰ্মাণ কৰে; তেওঁলোকেই হ'ল সেই বাগিচা, যিয়ে ভৱিষ্যতৰ সুগন্ধি ফুলবোৰক ফুলাই চৌপাশত সুবাস ছটিওৱাত সহায় কৰে।

সাৰথিহীন নাৱৰীয়াৰ দৰে, শিক্ষকহীন সমাজও লক্ষ্যহীন আৰু অন্ধকাৰময়। সেয়েহে, শিক্ষকসকলক সন্মান আৰু সুযোগ-সুবিধা প্ৰদান কৰাটো সমাজ আৰু ৰাষ্ট্ৰৰ এক পৱিত্ৰ দায়িত্ব। কিয়নো শিক্ষকৰ শিকনিয়েই হ'ল আমাৰ ভৱিষ্যতৰ বীজ। সেই বীজ সোনালী হ'লেহে দেশ-জাতিৰ ভৱিষ্যতও সোণালী হ'ব। গতিকে, শিক্ষকেই হ'ল সেই মূল স্তম্ভ, যাৰ ওপৰত নিৰ্ভৰ কৰি সমাজৰ মহান ইমাৰত দণ্ডায়মান।

শিক্ষকসকলৰ গুৰুত্ব বুজাবলৈ মহান মনিষী এজনে কৈছিল 'শিক্ষক এজন মমবাতিৰ দৰেই; যিয়ে নিজে জ্বলি আনক পোহৰ দিয়ে।'

অসমীয়া লোক সমজত এটা কথা প্ৰচলিত আছে যে

'গুৰুৰ পদূলি ছাৰি আন ঠাই নাই'

এইবোৰৰ পৰাই বুজিব পাৰি সমাজ এটা সুস্থ ৰূপত গঢ়িবলৈ শিক্ষকসকলে কিমান সক্ৰিয় ভূমিকা পালন কৰে। সেয়ে শিক্ষকসকলক সমাজৰ ঘাই শিপা বুলি আখ্যায়িত কৰা হয়।

**ম'বাইল ঃ** ৯৩৬৫৬-৮১৯৬৮

### অসমীয়া সংগীত জগতত নৱতম সংযোজন

# ব্যতিক্ৰমী চিন্তাৰে টোকাৰী গীত 'কৰুণাময়'




**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্যৰ সৰ্বত্ৰে এতিয়া ভাদ মাহৰ উৎসাহ-উদ্দীপনা। এই ভাদ মাহটো অসমীয়া সমাজে অতীজৰে পৰা পৱিত্ৰ মাহ হিচাপে গণ্য কৰি আহিছে। গোটেই ভাদ মাহটোত ৰাইজে নাম-কীৰ্তনত মত্ত হৈ ভক্তি ৰস পান কৰে। ফলত আকাশ-বতাহ হৰিনামৰ ধ্বনিৰে মুখৰিত হৈ এক আধ্যাত্মিক পৰিৱেশে সকলোৰে মন-প্ৰাণ পুলকিত কৰি ৰাখে। সম্প্ৰতি গাঁৱে-ভূঞে বিয়পি থকা একে এক পৰিৱেশৰ মাজতে শেহতীয়াভাৱে সংগীত জগতত নতুনকৈ সংযোজন ঘটিছে এটি টোকাৰী গীতৰ। প্ৰতিভাৱান কণ্ঠশিল্পী অভিজিৎ ৰাগৰ নিবেদিত 'কৰুণাময়' শীৰ্ষক গীতটি ব্যতিক্ৰমী চিন্তাৰে মূলতঃ আধ্যাত্মিক দিশটোক আধাৰ হিচাপে লৈ সৃষ্টি কৰা হৈছে। জানিব পৰা মতে, নিজৰ প্ৰতিভাৰ বলত ইতিমধ্যে অসমৰ ৰাইজৰ মাজত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হোৱা জনপ্ৰিয় সংগীত শিল্পী অভিজিৎ ৰাগ আৰু প্ৰিয়দৰ্শনৰ কণ্ঠ তথা অভিজিৎ ৰাগে সুৰৰ প্ৰপাত ঢলা এই ভক্তিমূলক গীতটি সংগীতেৰে সজাইছে দিগ্বিজয় ডেকাই। তদুপৰি, নগাঁও জিলাৰ জামুগুৰি অঞ্চলত থকা প্ৰায় তিনিশৰো অধিক বছৰ পুৰণি ঐতিহাসিক সাৰ্বজনীন গৰখীয়া থানৰ মনোমোহা পৰিবেশত গীতটিৰ দৃশ্য গ্ৰহণ কৰা হৈছে। উল্লেখ্য যে, ইতিমধ্যে ইউটিউবৰ জৰিয়তে শুভ মুক্তি দিয়া ব্যতিক্ৰমী এই টোকাৰী গীতটিয়ে শ্ৰোতা দৰ্শকৰ সহাঁৰি লাভ কৰিবলৈ সক্ষম হোৱা পৰিলক্ষিত হৈছে।

# শিক্ষক দিৱসৰ নষ্টালজিয়া

■ ড° বনিমা তালুকদাৰ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

ইংৰাজী ৫ ছেপ্টেম্বৰ তাৰিখে সমগ্ৰ ভাৰততে শিক্ষক দিৱস উদ্‌যাপন কৰা হয়। ভাৰতৰ দ্বিতীয়জনা ৰাষ্ট্ৰপতি সৰ্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটো শিক্ষক দিৱস হিচাৱে উদ্‌যাপন কৰা হয়। ৰাধাকৃষ্ণণ আছিল পেছাত এজন শিক্ষক। এবাৰ ছাত্ৰসকলে তেওঁৰ জন্মদিনটো ধুমধামেৰে উদ্‌যাপন কৰিবলৈ বিচৰাত তেওঁ ছাত্ৰসকলক বাধা দি ক'লে 'এই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা যাওঁক। শিক্ষকৰ সন্মানাৰ্থে এই দিনটো উদ্‌যাপিত হওঁক'। তেতিয়াৰ পৰা এই দিনটো শিক্ষক দিৱস হিচাবে উদ্‌যাপিত হৈ আহিছে।

শিক্ষক দিৱস বুলি ক'লে ইয়াৰ লগত জড়িত শৈশৱৰ স্মৃতি আহি আমনি কৰে। উচ্চ মাধ্যমিক বিদ্যালয়ত আমি পঢ়ি থাকোতে প্ৰতিটো শ্ৰেণীতে আমি শিক্ষক দিৱস সৰুকৈ হ'লেও উদ্‌যাপন কৰিছিলো। এই ছেগতে এবাৰ আমি উদ্‌যাপন কৰা শিক্ষক দিৱসৰ স্মৃতি অকনমান ব্যক্ত কৰিব বিচাৰিছো। আমি তেতিয়া হাইস্কুলৰ সপ্তমমান শ্ৰেণীৰ ছাত্ৰী। অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়িছিলোঁ, সীমিত পৰিসৰৰ মাজত এই দিৱসটো পালন কৰাৰ চেষ্টা কৰিছিলো। শিক্ষক দিৱসৰ দুদিন মান আগৰ পৰা আমাৰ মাজত নানা উল্লাস, বিভিন্ন আলোচনা- এই দিৱসটো আমি এইবাৰ কেনেদৰে উদ্‌যাপন কৰিম। শ্ৰেণীৰ ছাত্ৰীবোৰৰ মাজত কামবোৰ ভগাই দিয়া হৈছিল, কোনোবা দুজনী মানৰ ভাগত পৰিছিল শ্ৰেণীকোঠাটো ভালদৰে পৰিষ্কাৰ কৰা, দুজনীমানৰ কাম আছিল কোঠাটো ভালদৰে ঝাড়ু দিয়া, দুজনীমানক দায়িত্ব দিয়া হৈছিল কোঠাটো সজাবলৈ বুলি ঘৰৰ পৰা ফুল, পাত আদি অনা। দুজনীমানে দায়িত্ব লৈছিল বজাৰৰ পৰা চিঙৰা, মিঠাই আমাৰ শ্ৰেণীৰ শিক্ষয়িত্ৰী বাইদেউৰ বাবে উপহাৰ আদি কিনাৰ। শিক্ষক দিৱসৰ আগদিনাখন আমাৰ বোৰৰ পৰা ক্লাছ কেপ্টেইনে গাইপতি ৫০ পইচাকৈ পইচা তুলিছিল। সেই পইচা খিনিৰে আমাৰ শ্ৰেণীৰ শিক্ষয়িত্ৰী বাইদেউক খুৱাবৰ বাবে চিঙৰা মিঠাই আৰু সৰু উপহাৰ এটা অনা হৈছিল। মনত পৰে, সেইদিনা বাইদেউক শ্ৰেণীকোঠালৈ আমি আদৰি আনিছিলো, বাইদেউৰে আসনত বহাৰ পিছত আমি সকলোৱে তেওঁৰ ওচৰত আঁঠু লৈ আশীৰ্বাদ বিচাৰিছিলো, বাইদেউৱে চকীৰ পৰা উঠি আমাৰ সকলোৰে মূৰত হাত ৰাখি আশীৰ্বাদ কৰিছিল। তাৰপিছত আমি সকলোৱে একেলগে লগ হৈ বাইদেউক উপহাৰটো দিছিলো, লগতে ঘৰৰ পৰা বনাই অনা ফুল, গছ, লতা পাতেৰে ভৰি থকা ফুলৰ থোপা। তাৰপিছত বাইদেউৱে আমাৰ আগত অকনমান শিক্ষক দিৱসৰ ওপৰত বক্তব্য ৰাখিছিল। ইয়াৰ পিছত আমি বাইদেউলৈ অনা চাহ মিঠাই বাইদেউক খাবলৈ দিছিলোঁ। বাইদেউয়ে অকনমান লৈ, বাকীবোৰ টেমাত ভৰাই লৈছিল। লগতে কৈছিল 'মই ঘৰত গৈ খাম'। এই অনুষ্ঠানত বাইদেউৰ সন্মুখত বহুতে গীত নাচ আদি পৰিৱেশন কৰিছিল। এটা সময়ত বাইদেউ বিদায় ল'বলৈ ওলাইছিল, আমি সকলোৱে বাইদেউক পদূলি মুখলৈ আগবঢ়াই ৰিক্সাত উঠাই দিছিলোঁ। তাৰপিছত পুনৰ শ্ৰেণীকোঠালৈ উভতি আহি বৈ যোৱা চিঙৰা, মিঠাই আদি আমিবোৰে ভগাই খাইছিলো। তাৰপিছত শ্ৰেণী কোঠাটো ভালদৰে পৰিষ্কাৰ কৰি আমিবোৰ ঘৰাঘৰি গৈছিলো। মনত লৈ গৈছিলো সেইদিনাৰ বহু স্মৃতি।

এটা কথা ঠিক যে, প্ৰতিটো শ্ৰেণীতে আমি শিক্ষক দিৱস সাধাৰণভাৱে পালন কৰিছিলোঁ কিন্তু, আমাৰ আন্তৰিকতা বা শ্ৰদ্ধাৰ কোনো কাৰ্পণ্য নাছিল।

তেতিয়াৰ শিক্ষক দিৱস আৰু এতিয়া বিদ্যালয় সমূহত উদ্‌যাপন কৰা শিক্ষক দিৱসৰ মাজত এক সাংঘাটিক পাৰ্থক্য দেখিবলৈ পাওঁ। শিক্ষক দিৱসৰ নামত ছাত্ৰ-ছাত্ৰীয়ে বহু অৰ্থ খৰচ কৰে। খোৱা বোৱা, সাজসজ্জা, মাইক্ৰফোন, কেক আদিত যথেষ্টখিনি ব্যয় কৰে। অনুভৱ কৰো এতিয়া বহু বস্তু উপলব্ধ হ'ল, যিটো আমাৰ সময়ত নাছিল ।

যিহেতু শিক্ষক হিচাবে মহান বৃত্তিত নিয়োজিত হ'লো, এতিয়াও শিক্ষক দিৱস মহাবিদ্যালয়ত পাই আহিছো। এই দিনটোত ছাত্ৰ-ছাত্ৰীৰ পৰা মৰম, সন্মান আদি পাইছো। শিক্ষক হিচাবে কিমান দিব পাৰিছো, সেয়া সময়ত ছাত্ৰ-ছাত্ৰীয়ে ক'ব, তথাপি কোনো কাৰ্পণ্য নকৰাকৈ সীমিত জ্ঞান ছাত্ৰ-ছাত্ৰীৰ মাজত বিলাই দিবলৈ চেষ্টা কৰিছো, প্ৰয়োজনৰ সময়ত ছাত্ৰ-ছাত্ৰীক সহায় কৰিছো, বহু ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পথ প্ৰদৰ্শক হ'বলৈ চেষ্টা কৰিছোঁ। শিক্ষক হিচাবে উপলব্ধি কৰো অকল শ্ৰেণীকোঠাত আগবঢ়োৱা বিদ্যায়তনিক জ্ঞানখিনিয়ে শিক্ষকৰ বাবে যথেষ্ট নহয়। শিক্ষক এজনে ছাত্ৰ-ছাত্ৰীৰ লগত গঢ়ি তুলিব লাগিব এক আত্মিক সম্পৰ্ক য'ত পৰস্পৰৰ প্ৰতি নিভাজ মৰম আৰু শ্ৰদ্ধা থাকিব, যি সম্পৰ্ক হ'ব পৱিত্ৰ, য'ত ছাত্ৰ বা ছাত্ৰী গৰাকীয়ে মুকলিকৈ তেওঁলোকে ভুগি থকা বিভিন্ন সমস্যাৰ কথা ব্যক্ত কৰিব পাৰিব। প্ৰয়োজনত শিক্ষক গৰাকী হ'ব লাগিব তেওঁলোকৰ অভিভাৱকৰ দৰে। ছাত্ৰ-ছাত্ৰীক ভাল পথৰ সন্ধান দিয়াৰ ক্ষেত্ৰত শিক্ষকজনে সদায় এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। সহ পাঠ্যক্ৰমিক কাৰ্যক্ৰম আগবঢ়াই নিয়াৰ ক্ষেত্ৰটো শিক্ষকজনে এক উল্লেখনীয় পদক্ষেপ ল'ব লাগিব। শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অনুসন্ধিৎসু মনক সদায় গুৰুত্ব দিব লাগিব। ছাত্ৰ-ছাত্ৰীৰ সৃজনীশীল কৰ্মৰাজিত উৎসাহ প্ৰদান কৰিব লাগিব।

অনাগত দিনবোৰত এই গুৰু শিষ্যৰ পৰম্পৰা নিশ্চয় একেদৰে চলি থাকিব আৰু এনেদৰে শিক্ষক দিৱস উদ্‌যাপিত হৈ থাকিব। আজি শিক্ষক দিৱসৰ সন্ধিক্ষণত আমিবোৰে উচ্চ মাধ্যমিক বিদ্যালয়ত উদ্‌যাপন কৰা দিৱসলৈ মনত পেলাই কিছু পৰিমাণে নষ্টালজিক হৈ পৰিলোঁ। এই ছেগতে শিক্ষাৰ দৰে মহান বৃত্তিৰ লগত জড়িত হোৱা সমূহ শিক্ষক-শিক্ষয়িত্ৰীলৈ শিক্ষক দিৱসৰ শুভেচ্ছা যাঁচিলো।

**ম'বাইল ঃ** ৯৪৩৫১-৪৪৭৯৪

# 'বৰা কেন ইণ্ডাষ্ট্ৰী'ৰ জৰিয়তে ভাত মোকলাইছে ২০-২২ টা পৰিয়ালে

## নগাঁৱৰ মৰঙীয়াল গাঁৱস্থিত বেতৰ উদ্যোগে বজাৰ দখল কৰিছে

**নগাঁৱৰ বিশেষ প্ৰতিবেদক ঃ** পৰিশ্ৰম, একাগ্ৰতা, সাহস, বুদ্ধিৰ বলত যে একোগৰাকী ব্যক্তিয়ে জীৱনত সফলতাৰ দিশে অগ্ৰসৰ হোৱাত হেঙাৰ হ'ব নোৱাৰে ইয়াৰ এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে নগাঁও-বটদ্ৰৱা সমষ্টিৰ অন্তৰ্গত মৰঙীয়াল গাঁও নিৱাসী এগৰাকী ব্যক্তিয়ে। বৰ্তমান প্ৰায় ৫২ বছৰীয়া এইগৰাকী ব্যক্তিৰ নাম পদ্মেশ্বৰ বৰা। শৈশৱতে পিতৃহাৰা হোৱা বৰাই মাতৃ, তিনি কনিষ্ঠ ভাতৃকে ধৰি পৰিয়ালটোৰ বোজা কান্ধ পাতি ল'বলৈ যথেষ্ট সংগ্ৰাম কৰিব লগা হৈছিল। স্নাতক ডিগ্ৰীধাৰী পদ্মেশ্বৰ বৰাই সময় থাকোতেই চৰকাৰী চাকৰি এটাৰ বাবে বহু চেষ্টা কৰিছিল যদিও সফল হ'ব পৰা নাছিল। ইয়াৰ মাজতে নিজ গাঁৱতে থকা এটি বেতৰ প্ৰতিষ্ঠানত তেওঁ কাম শিকিছিল। কামটোৰ প্ৰতি তেওঁ ইমানেই মনোনিৱেশ কৰিলে যে তেওঁৰ ২৩-২৪ বছৰ বয়সতে অৰ্থাৎ ১৯৯৬ চনত ঘৰতে ৬৭০ টকা মান মূলধনেৰে সৰুকৈ বেতৰ প্ৰতিষ্ঠান এখন খুলিবলৈ ল'লে। যথেষ্ট কষ্ট আৰু একাগ্ৰতাৰে জীৱনক এক 'চেলেঞ্জ' হিচাপে গ্ৰহণ কৰি আৰম্ভ কৰা এই ব্যৱসায়ে ক্ৰমান্বয়ে উন্নতি হ'বলৈ ধৰে। ইয়াৰ মাজতে তেওঁ নুমলীগড়ত এখন বেতৰ প্ৰতিষ্ঠান খুলি কিছুদিনৰ পাছত ঘৰতে থিতাপি লাগি 'বৰা কেন ইণ্ডাষ্ট্ৰী' নামেৰে প্ৰতিষ্ঠানটো সবল কৰি তোলে। এই সম্পৰ্কত পদ্মেশ্বৰ বৰাই আমাক জানিবলৈ দিয়া অনুসৰি বৰ্তমান তেওঁৰ প্ৰতিষ্ঠানত নিতৌ ২০-২২ জন সুদক্ষ কৰ্মীয়ে কাম কৰি আছে। কেৱল কৰ্মীৰ ওপৰতে নিৰ্ভৰশীল নহৈ বৰাই নিজেও পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত কাম কৰাৰ লগতে কৰ্মী সকলক তদাৰক কৰি আহিছে। তেওঁ জানিবলৈ দিয়া মতে বেতেৰে নিৰ্মাণ কৰিবপৰা প্ৰায় সকলো সামগ্ৰীয়েই ইয়াত বনোৱা হয়। স্থানীয় লোকৰ প্ৰয়োজনীয় সামগ্ৰীৰ উপৰি বহু সামগ্ৰী এই প্ৰতিষ্ঠানতে বনাই ডিফু, তেজপুৰ, গোলাঘাট আদিৰ উপৰি নাগালেণ্ডৰ ডিমাপুৰলৈ সৰবৰাহ কৰা হয়। ইফালে, অৰুণাচল প্ৰদেশ, কাৰ্বি আংলং আদিৰ পৰা প্ৰধানকৈ প্ৰয়োজনীয় বেত সংগ্ৰহ কৰি বিগত ২৮-২৯ বছৰ ধৰি নিৰৱচ্ছিন্নভাৱে গ্ৰাহকৰ প্ৰয়োজন অনুসৰি সামগ্ৰী নিৰ্মাণ কৰি প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে এই প্ৰতিষ্ঠানটিয়ে। কোনো চৰকাৰী আঁচনিৰ সুবিধা লাভ নকৰাকৈয়ে গ্ৰামাঞ্চলত স্থাপিত এই প্ৰতিষ্ঠানটিৰ সম্পত্তিৰ পৰিমাণ দহ লক্ষাধিক। এয়া নিশ্চিতভাৱে যুৱ প্ৰজন্মৰ বাবে, যি সকলে কেৱল চৰকাৰী চাকৰিৰ বাবে হাত সাৱটি বহি আছে সেইসকলৰ বাবে অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে। এটি থলুৱা ক্ষুদ্ৰ উদ্যোগ স্থাপনেৰে নিজে স্বাৱলম্বী হোৱাৰ লগতে আন দহজনক সংস্থাপিত কৰা পদ্মেশ্বৰ বৰাৰ এই প্ৰচেষ্টা অব্যাহত থাকক আৰু অধিক উন্নতিৰ শিখৰলৈ আৰোহণ কৰক, আমাৰো শুভ কামনা থাকিল।



# নগাঁওৰ প্ৰাণ স্পন্দন স্বৰূপ কলঙক বেদখলমুক্ত কৰাৰ প্ৰয়াস

## স্পীড বোটেৰে কলঙৰ দুয়ো পাৰ পৰিদৰ্শন জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ

**জয়ন্ত মুদৈ, নগাঁও ঃ** ৰাজ্য চৰকাৰে চৰকাৰী ভূমি বেদখলকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে নগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই নগাঁও চহৰৰ মাজেৰে বৈ যোৱা কলং নৈত চলি থকা বেদখল মুক্ত কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। উল্লেখ্য যে, নগাঁওৰ জনজীৱনৰ প্ৰাণ স্পন্দন স্বৰূপ কলঙৰ দুয়োপাৰৰ ভূমি দীৰ্ঘদিনৰ পৰা একাংশ লোকে বেদখল কৰি বিশাল অট্টালিকা আদি নিৰ্মাণ কৰাৰ লগতে কেতবোৰ অনুষ্ঠানো স্থাপন কৰিছে। সেই পৰিপ্ৰেক্ষিতত বিগত সময়ছোৱাত কলঙৰ ভূমি বেদখলমুক্ত কৰিবলৈ সচেতন নগাঁওৰ লোকে দাবী উত্থাপন কৰি আহিছে। গতিকে, কলং নৈক বেদখলমুক্ত কৰাৰ উদ্দেশ্যে জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই শেহতীয়াকৈ কলঙৰ দুই পাৰৰ পৰিৱেশ পৰিদৰ্শন কৰে। আচলতে, সেইদিনা পুৱাই নগাঁও জিলা আয়ুক্ত গৰাকীয়ে নগাঁও চহৰৰ সোঁমাজেৰে বৈ যোৱা কলং নৈৰ দুয়োকাষ বেদখল মুক্ত কৰাৰ উদ্দেশ্যে স্পীড বোটেৰে নেহৰুবালিৰ পৰা ১০ কিলোমিটাৰ পূব আৰু পশ্চিমে বিস্তীৰ্ণ অঞ্চল পৰিদৰ্শন কৰে। এই পৰিদৰ্শনৰ সময়চোৱাত জিলা আয়ুক্ত গৰাকীয়ে নগাঁও চহৰৰ মাজেৰে বৈ যোৱা চিৰ প্ৰবাহিত কলং নৈৰ স্তব্ধতাৰ কাৰণসমূহ সুক্ষ্মভাৱে পৰ্যবেক্ষণ কৰে। ৰাজহ বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত সৌভিক ভূঞা, নগাঁও সদৰ ৰাজহ চক্ৰ বিষয়া ঋষিকেশ বৰুৱা আৰু লাট মণ্ডলক লগত লৈ কলঙৰ দুই পাৰ পৰিদৰ্শন কৰে জিলা আয়ুক্তগৰাকীয়ে। বিশেষকৈ একাংশই কলঙৰ ভূমি বেদখল কৰি নিজৰ নামত ম্যাদী পট্টা



পৰ্যন্ত কৰি থোৱা তথ্য দেখি জিলা আয়ুক্ত গৰাকীয়ে আশ্চৰ্য প্ৰকাশ কৰে। ইফালে, বৰ্তমান চৰকাৰী ভূমিত বসবাস অথবা বিশাল অট্টালিকা নিৰ্মাণ কৰি থকাসকলৰ তথ্য এসপ্তাহৰ ভিতৰত সংগ্ৰহ কৰি চৰকাৰী ভূমি বেদখলমুক্ত কৰিবলৈ প্ৰথমাৱস্থাত জাননী জাৰি কৰিব বুলি জিলা আয়ুক্ত শৰ্মাই সংবাদ মাধ্যমক জানিবলৈ দিয়ে। সংবাদ মাধ্যমৰ সন্মুখত জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই কয় যে--এক গৌৰৱময় ইতিহাস থকা কলঙৰ ভূমি যিসকলে বেদখল কৰি আছে তেওঁলোকক মই প্ৰথমে বেদখল ত্যাগ কৰিবলৈ আহ্বান জনাইছো। যদিহে জাননী প্ৰেৰণৰ পিছতো কলঙৰ ভূমি ত্যাগ নকৰে, তেন্তে পৰৱৰ্তী পৰ্যায়ত সেইসকলৰ বিৰুদ্ধে বিধিগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। অৱশ্যে তেওঁলোকক পৰ্যাপ্ত সময় দিয়া হ'ব। আনহাতে, কলঙৰ ভূমি বেদখল কৰি ম্যাদী কৰা সন্দৰ্ভতো প্ৰশ্নবোধক থাকি যোৱা বুলি উল্লেখ কৰি জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই লগতে কয় যে- বৈ যোৱা কলঙৰ পাৰৰ মাটি কিদৰে ম্যাদী পট্টা হ'ল? এই প্ৰশ্নৰ উত্তৰ বিচৰাটোও উচিত হ'ব। ঠিক সেইদৰে, কলঙৰ পানী প্ৰদূষিত কৰা সকলক সতৰ্ক কৰি দি জিলা আয়ুক্ত গৰাকীয়ে কয় যে- একাংশই শৌচাগাৰৰ পাইপ কলঙত সংযোগ কৰাত কলংখন বহু প্ৰদূষিত হৈ পৰিছে। এনে কাম কৰা সকলে নিৰ্দিষ্ট সময়ৰ ভিতৰত এই কাম ত্যাগ কৰক। অন্যথা গ্ৰেপ্তাৰ পৰ্যন্ত হৈ যাব পাৰে বুলি জিলা আয়ুক্ত গৰাকীয়ে সতৰ্ক কৰি দিয়ে। ইপিনে, নগাঁও চহৰৰ সমীপৰ উৰিয়াগাঁৱত কলঙৰ ভূমি বেদখল কৰি স্থাপন কৰা 'ৰয়েল আৱাস' নামৰ এপাৰ্টমেণ্টৰ লগতে বাবুল দাস নামৰ এজন ব্যৱসায়ীয়ে কলঙৰ ভূমি বেদখল কৰি থকা বুলি উত্থাপিত অভিযোগ সন্দৰ্ভতো জিলা আয়ুক্ত গৰাকীয়ে বিষয়টো পৰ্যবেক্ষণ কৰে। জিলা আয়ুক্ত গৰাকীয়ে লগতে নগাঁও চহৰৰ মৰিকলং বিলৰ বেদখল ভূমিও পৰ্যবেক্ষণ কৰে। স্পীড বোটেৰে জিলা আয়ুক্ত গৰাকীয়ে কলঙৰ দুই পাৰ পৰিদৰ্শন কৰি কলঙৰ ভূমি বেদখলমুক্ত কৰাৰ কথা ঘোষণা কৰাৰ পাচত বিষয়টোক লৈ সম্প্ৰতি নগাঁৱত ব্যাপক চৰ্চা চলা পৰিলক্ষিত হৈছে।

# বিশ্বনাথ জিলাৰ গহপুৰত ঐক্য, শান্তি আৰু সমন্বয়ৰে অসম সাহিত্য সভাৰ জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ আয়োজন

**ৰমেন ভৰালী, বংশৰ ঃ** ঐক্য, শান্তি আৰু সমন্বয়ৰে অসম সাহিত্য সভাৰ স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ উদ্যোগত আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ সহযোগত খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ আতিথ্যত অহা ১১ আৰু ১২ ছেপ্টেম্বৰত এখন জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ আয়োজন কৰা হৈছে। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা আৰু স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক ৰমেন ভৰালীয়ে এক বিবৃতি যোগে জনাইছে ১১ ছেপ্টেম্বৰৰ পুৱা ৯ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ স্মৃতিত শ্ৰদ্ধাৰ্ঘ অনুষ্ঠান, পুৱা ৯.৩০ বজাত ভূপেন্দ্ৰ সংগীত আৰু ভূপেন্দ্ৰ সংগীতত নৃত্য প্ৰতিযোগিতা উদ্বোধন কৰিব পশ্চিম কলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ কমল বৰাই। ১২ ছেপ্টেম্বৰৰ পুৱা ৮.৩০ বজাত অসম সাহিত্য সভাৰ লগতে জনগোষ্ঠীয় সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব বিশ্বনাথ জিলা সাহিত্য সভাৰ সভাপতি মহেন্দ্ৰ গগৈ, নেপালী সাহিত্য সভা, বিশ্বনাথৰ সভাপতি লিলা তিমচিনা, মিচিং আগম কেবংৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক যতীন পেগু আৰু কাৰ্বি সাহিত্য সভা, বিশ্বনাথৰ সভাপতি সুৰেণ ফাংচোই। পুৱা ৯ বজাত স্মৃতি তৰ্পণ কৰিব খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ সভাপতি দেবেন চন্দ্ৰ পাঠকে, পুৱা ৯.৩০ বজাত গছপুলি ৰোপণ কৰিব বিশ্বনাথ জিলা সাহিত্য সভাৰ উপসভাপতি ৰূপালী দাস আৰু বিশ্বনাথ জিলা সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য ড° নীলমণি শইকীয়াই, পুৱা ১০ বজাত খাৰৈপৰীয়া কলা নিকেতনৰ দ্বাৰা পৰিচালিত চিত্ৰাংকন প্ৰতিযোগিতা উদ্বোধন কৰিব খাৰৈপৰীয়া কলা নিকেতনৰ সভাপতি অনিল বৰাই, পুৱা ১১.৩০ বজাত অসম সাহিত্য সভাৰ উপ-সভাপতি পদুম ৰাজখোৱাৰ সভাপতিত্বত জনগোষ্ঠীয় সমন্বয় সন্মিলন অনুষ্ঠিত হ'ব। খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজৰ প্ৰাক্তন সভাপতি ঘনকান্ত কাকতি আৰু খাৰৈপৰীয়াৰ প্ৰবীন শিল্পী মুহিকান্ত বৰুৱাই বন্তি প্ৰজ্বলনেৰে জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ শুভাৰম্ভ কৰিব আৰু স্বজাতীয় মৈত্ৰী বন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি বিপুল শৰ্মা বৰুৱাৰ আদৰণি ভাষণেৰে আৰু জনগোষ্ঠীয় সমন্বয় সন্মিলন উদ্বোধন কৰিব গহপুৰৰ বিধায়ক উৎপল বৰাই। জনগোষ্ঠীয় সমন্বয় সন্মিলনত মূখ্য অতিথি হিচাপে উপস্থিত থাকিব অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক দেৱজিৎ বৰা, আমন্ত্ৰিত অতিথি হিচাপে সদৌ অসম নেপালী সাহিত্য সভাৰ সভাপতি ডঃ চিন্তমণি শৰ্মা, মিচিং আগম কেবংৰ সচিব সোমেশ্বৰ কপ্তাক, দেউৰী সাহিত্য সভা, অসমৰ উপ-সভাপতি প্ৰবিন দেউৰী, মিচিং কেন্দ্ৰীয় সাংস্কৃতিক সভাৰ উপ-সভাপতি ভৰত মিলি, চাহ জনজাতি ছাত্ৰ সন্থাৰ সম্পাদক নিলোৎপল ৰবি দাস, অসম সাহিত্য সভাৰ কৰ্ণধাৰ সমিতিৰ সদস্য ধীৰেন শৰ্মা, অসম সাহিত্য সভাৰ অনুবাদ প্ৰকল্পৰ সঞ্চালক হৃদয়ানন্দ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক ধ্ৰুৱজ্যোতি বৰা, বিশিষ্ট কবি নামেশ্বৰ পেগু, অসম সাহিত্য সভাৰ বিত্ত উপ-সমিতিৰ উপ-সভাপতি বংকিম বৰা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য বিপুল কুমাৰ দিহিঙীয়া, বিশ্বনাথ জিলা নেপালী সাহিত্য সভাৰ কাৰ্যকৰী সভাপতি ৰাজেন শৰ্মা, কেন্দ্ৰীয় চাহ জনগোষ্ঠীয় জলাহ সাহিত্য সভাৰ সভাপতি গোলাম ৰছুল আলী আৰু গহপুৰ জিলা বড়ো সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক চহেন উজিৰ উপস্থিত থাকিব। উক্ত জনগোষ্ঠীয় সমন্বয় সন্মিলনত দিহা নাম আৰু মিচিং, চাহ জনজাতি, বড়ো আৰু নেপালী জনগোষ্ঠীৰ লোক নৃত্য প্ৰদৰ্শিত হোৱাৰ লগতে খাৰৈপৰীয়া স্বৰ্ণ সাহিত্য সমাজে উক্ত অনুষ্ঠানত 'খাৰৈ সৌৰভ বঁটা' প্ৰদান কৰিব বুলি জনগোষ্ঠীয় সমন্বয় সন্মিলনৰ আদৰণি সমিতিৰ সম্পাদক দীপক হাজৰিকাই জনাইছে।

## নাৰী

**চুইটি বৰা**
লখিমপুৰ বালিকা মহাবিদ্যালয়

নাৰী
যাৰ হৃদয়ত বৈ থাকে
মমতাৰ নিজৰা
ধৈৰ্য্য সাহস যাৰ অলঙ্কাৰ।
নাৰী
শক্তিৰ অধিষ্ঠাত্ৰী দেৱী বুলি
পূজনীয়
তথাপিও যুগে যুগে নাৰী
লাঞ্চিত, বাঞ্চিত, অৱহেলিত
নাৰীৰ বাবে
একবিংশ শতিকাত যদিও নাই
অলঙঘনীয় লক্ষ্মণৰেখাৰ সীমা
তথাপিও
অকথ্য নিৰ্যাতন সহিও
প্ৰাপ্তিতকৈ ত্যাগেই শ্ৰেষ্ঠ বুলি
নিজৰ সীমা নিজেই সৃষ্টি কৰি
জীৱন মহত্বৰ উপলব্ধিৰে
অপাৰ মহিমাৰে মণ্ডিত হৈ
ধৰি ৰাখে
জগত জননীৰ কৃতী।

**ম'বাইল ঃ** ৮৪৭২৮-১৫২৩৯

## শকুন্তলা

**দীপালী শইকীয়া গগৈ**
আমগুৰি

দুই প্ৰিয় সখী অনসূয়া আৰু প্ৰিয়ম্বদা
সুখ দুখৰ চিৰ সহচৰী
শকুন্তলাৰ সুখেই অনসূয়াৰ সুখ
মুনিকন্যা শকুন্তলা অনিন্দ্যসুন্দৰী
খোজত যাৰ পদুম ফুলে
আশ্ৰমৰ হৰিণাই যাৰ সংগ
শকুন্তলাৰ হৃদয়ত উঠিল জোৱাৰ
দুষ্যন্ত প্ৰেমৰ
মৃগয়াভিলাসী ৰজাৰ আশ্ৰম প্ৰৱেশত
সতৃষ্ণ নয়নৰ স্নেহাদ্ৰ দৃষ্টি
নিৱদ্ধ হ'ল নিৰ্দিষ্ট বিন্দুত
অনুৰাগৰ ময়ুৰ পংখী
উৰা মাৰিল বিদ্যুৎ সঞ্চাপৰী গতিৰে
চাৰি চক্ষুৰ মিলনত
সন্মোহনী শক্তিয়ে দুয়োকে দিলে সঞ্জীৱনী সুধা।

## চিঞৰ

**ৰঞ্জন বৰ্মন,** লখিমপুৰ

শামুকৰ খোলাৰ পৰা ওলাই
পুখৰীৰ পানী ফালি
চিঞৰটো গৈ হাবি ডৰাত হেৰাই থাকিল
শুকান গছৰ পাতে
জুইক জানো ঢাকি ৰাখিব পাৰে
ওৰেটো ৰাতি
গছবোৰে ফুচফুচালে
বেহেলাত বাজি থকা সুৰ এটাৰ দৰে
আন্ধাৰতে চিঞৰটোৱে সেউজীয়া গছবোৰক
জগালে
গছবোৰ হৈ পৰিল উৎসাহিত
আৰু আলিংগন কৰিব বিচাৰিলে সূৰ্যক
গছবোৰে বুজিলে সালোক সংশ্লেষণৰ তত্ত্ব
বুজিলে উৎপাদক আৰু উপভোক্তাৰ মাজৰ
সম্পৰ্ক
গছবোৰে বুজিলে
কিদৰে স্বাৰ্থান্বেষী লোকবোৰে
ধৰ্ষণ কৰিছে গছবোৰক
আৰু এদিন ভোকৰ দীঘলীয়া ৰাতি
পাপ্য অধিকাৰ বিচাৰি
ৰাজপথত জোঁৰ লৈ ওলাই আহিল গছবোৰ

**ম'বাইল ঃ** ৯৬১৩৯-৬১৬১৫

## শৰৎৰ ঠিকনা

**বলিন বৰদলৈ**
আলামি, গোলাঘাট

সেউজী কোমল সুৱাস
কঁহুৱা কোমল মন সুকোমল
ডাল ভৰি শেৱালি ফুলে
তল ভৰি সৰে
দুবৰি বনত নিঁয়ৰৰ মুকুতা মালা।
শাৰদীয় ভৰা জোনাকত
আপোনজনৰ মিলনৰ বাসনা পোহে -
শৰালি ৰাজহংসৰ প্ৰণয়ী যুগল বেদনা,
আহিনে সেউজী আঁচল উদঙাই
দি যায় শৰৎ অহাৰ ঠিকনা ও
শাৰদীয় দুৰ্গোৎসৱৰ বতৰা।

**ম'বাইল ঃ** ৯৪০১৮-৭৬৭২৮

## ৰাধা

**পৰীস্মিতা গগৈ দত্ত**
শিৱসাগৰ

কোনে কয় ৰাধা বিৰহনী
কৃষ্ণৰ প্ৰাণৰ আধা নহয়
বুলি।
আজি বৃন্দাবন হৈছে অতি বিতোপন
শৰৎকালৰ ৰাত্ৰি চন্দ্ৰমাৰ সুশোভিত
পোহৰে বিলাইছে অকৃত্ৰিম
ভাস্কৰ্য্যৰ জোনাক।
কোনে কয় ৰাধা আধৰুৱা...
কৃষ্ণৰ উশাহতে সৰ্বদা বিৰাজমান
নহ'লেনো ৰুক্মিণী থকাৰ পাছতো
কৰিলেহেঁতেন জানো ৰাসলীলা
উদ্‌যাপন।
শৰৎৰ শেৱালি সৰা দলিচাত
নিয়ৰত তিতি থকা বাঁহীটো
মৰমে বুটলি ফু দি সুৰ তোলে
ৰাধাৰ নূপুৰৰ মধুৰ শব্দত।
সেয়ে জীৱন্ত হৈ পৰে মধুবন
জোনাক যামিনী নিশা
ৰাধা-কৃষ্ণৰ প্ৰেমৰ
অমিয়া মায়াত।



## আপঙৰ ৰাগী

**ৰূপালী গগৈ চুতীয়া**
ডিব্ৰুগড়

তুমি মোক ভাল পোৱা নে?
আপং?
মৰম বিচৰা নে?
নিচা?
এটা কাম কৰা
নিশা মোৰ চাং ঘৰলৈ আহিবা
দুবাতি আপং খাই
প্ৰেমৰ কথা পাতিম,
চকুত চকু থৈ আপোন পাহৰি
নিশাৰ আমেজ ল'ম।

আপঙৰ নিচাত ভুল কৰিলেও
ৰাইজে মেল চপালেও
মানি ল'ম নিজৰ ভুল,
যদিহে ৰাইজে শাস্তি বিহে
শিৰ পাতি লৈ
অমৰ কৰিম আমাৰ প্ৰেম।

আহিবা আজি নিশা
আপঙৰ নিচাৰ অমেজ ল'ম
মৰমৰ নিচা বেছি নে
আপঙৰ?
তোমাক সুধি চাম,
কাৰ ৰাগীত বিলীন হ'ব খোজা তুমি?
আপঙৰ নে
মৰমৰ...?

# চৰিত্ৰ গঠনত পৰিয়ালৰ ভূমিকা

■ **শতাব্দী শৰ্মা,** নগাঁও

**প**ৰিয়াল শিশুৰ মানসিক আৰু বৌদ্ধিক বিকাশত এক উল্লেখনীয় অৱদান।" ঘৰখনেই শিক্ষাৰ কঠিয়াতলী", গতিকে শিশুৰ চাৰিত্ৰিক বিকাশত পৰিয়াল অৰ্থাৎ পিতৃ-মাতৃৰ ভূমিকা বিশেষভাৱে প্ৰভাৱিত। উদাহৰণস্বৰূপে, এজন কিশোৰে বৰ্তমানো বেয়া কথা কয়। ডাঙৰ, বয়সস্থ মানুহৰ আগতো এটা বেয়া কথা নোকোৱাকৈ কথা নাপাতে। আপোনাৰ, মোৰ মুখত নুফুটা এই শব্দবোৰ সি শৈশৱৰ প্ৰতিটো বসন্তত আখৈ ফুটোৱাদি ফুটাইছে। এই শব্দবোৰ মাক-দেউতাকে এতিয়া গালি পাৰিও আঁতৰাব পৰা নাই। কিয়নো শিশু অৱস্থাত সি নুফুটা, অস্ফুট স্বৰেৰে কোৱা এই বেয়া শব্দবোৰ মাক-দেউতাকে বিশেষ মন কৰা নাছিল, যাৰ বাবে এতিয়া 'জোৰ পুৰি হাত পোৱা'ৰ পিছত কোনো সমাধান নাইকীয়া হৈ গ'ল। ঠিক তেনেদৰে, সৰুৰে পৰাই যদি এটি শিশুৱে তেওঁৰ পিতৃক নিচাত ডুবি থকা দেখা পায়, সিও পৰিৱেশৰ প্ৰভাৱত ডাঙৰ হৈ নিচাৰ প্ৰতি আকৰ্ষিত হ'ব। বিদ্যালয়ত শিশুৱে ভাল কথাও শিকে, অন্যহাতে সংগদোষত বেয়া কথাও শিকে। কিন্তু এই সকলোবোৰ চালি-জাৰি 'কুমলীয়া বাঁহ' হৈ থাকোঁতেই শুধৰাই দিয়াটো পৰিয়ালৰ দায়িত্ব। আলহী-অতিথি ঘৰলৈ আহিলে মাত লগোৱা, ভালকৈ কথা পতা, ভাল আচৰণ কৰা আদি শিকোৱাৰ দায়িত্বও পৰিয়ালৰ। আজিকালি নৈতিক স্খলন হোৱাৰ মাত্ৰা বাঢ়িছে। ল'ৰা-ছোৱালীয়ে শিক্ষাগুৰুকো মানি নচলে। আগৰ দৰে জ্যেষ্ঠসকলৰ প্ৰতি সন্মান আৰু সমীহ নাইকীয়া হ'ল। শিশুৰ চাৰিত্ৰিক গঠন, মানসিক পৰিপুষ্টি, বৌদ্ধিক বিকাশৰ ক্ষেত্ৰত আটাইতকৈ ক্ষুৰধাৰ অস্ত্ৰ হ'ল অনুশাসন। আজিকালি পিতৃ-মাতৃয়ে গালি পাৰিবলৈও চিন্তা কৰে, কিবা অহেতুক কাৰ্য সংঘটিত হোৱাৰ ভয়ত। কিন্তু এটা সময়ত সন্তানৰ ভয়ৰ কাৰণ দুটাই আছিল, পিতৃৰ ৰঙা চকু আৰু মাতৃৰ এচাৰিৰ কোব। আচলতে ঘৰ, শৈক্ষিক অনুষ্ঠান আদি সকলোতে অনুশাসন উঠি যোৱাৰ ফলত বৰ্তমান অৰাজক অৱস্থা। পিতৃ-মাতৃক অনুকৰণ বেছি কৰে শিশুৱে। গতিকে এই ক্ষেত্ৰত পিতৃ-মাতৃ অৰ্থাৎ পৰিয়ালৰ অৱদান গুৰুত্বপূৰ্ণ। মানুহে কেতিয়াবা কৈ দিয়ে, ইংৰাজী মাধ্যমত পঢ়া ল'ৰা-ছোৱালীৰ আচৰণ বেয়া। সেইটো আচলতে মানি ল'ব পৰা বিধৰ নহয়। শিশুৰ চাৰিত্ৰিক বিকাশৰ ক্ষেত্ৰত কেতিয়াও মাধ্যম হেঙাৰ হ'ব নোৱাৰে। কিছুমান শিশু কেতিয়াবা শৈশৱৰ পৰাই সমাজমুখী হয় আৰু কিছুসংখ্যক নহয়। চাৰিওফালৰ পৰিৱেশগত কাৰ্যকলাপৰ পৰাই শিশুৱে শিকি পেলায়। এনে ক্ষেত্ৰত বহুত অভাৱত ডাঙৰ হোৱা এটি শিশু, পৰিপক্ক হৈ উঠাৰ পিছত ভালো হ'ব পাৰে, নতুবা বেয়াও হ'ব পাৰে। সংস্কাৰী মনোভাৱ বৰ্তি থাকিলে ল'ৰা-ছোৱালী ভাল হয়। শিক্ষাৰ পোহৰে জগত ধুনীয়া কৰে। কিন্তু কিছু ক্ষেত্ৰত দেখা যায়, শিক্ষিত পিতৃ-মাতৃৰ সন্তানৰ চৰিত্ৰতকৈ অশিক্ষিত পিতৃ-মাতৃৰ সন্তানৰ চৰিত্ৰ বহুগুণে ভাল। এই সকলোবোৰ নিৰ্ভৰ কৰে, গাঁথনিৰ ওপৰত। যেনেকৈ ঘৰ এটা মজবুত হ'বলৈ এটা ভাল গাঁথনিৰ প্ৰয়োজন, ঠিক তেনেদৰে শিশু এটি অমূল্য সম্পদ হ'বলৈ ভাল সংস্কাৰ গাঁথনি হিচাপে থকাটো দৰকাৰ।

**ম'বাইল ঃ** ৬৯০১১-৫২৪২৯

*প্ৰথম পৃষ্ঠাৰ পৰা*

# জীৱিকা সখীসকল সকলোতে মূলাগাভৰু হ'ব লাগিব ঃ ড° শৰ্মা

কৰিছে আৰু ইন্ধন ক্ৰয়ৰ বাবেও তেওঁলোকে প্ৰতিমাহে ৫০০ টকাকৈ লাভ কৰিব। আনহাতে, ৰাজ্য চৰকাৰে আত্মসহায়ক গোটৰ সদস্যাসকলক বহনক্ষম বিকাশৰ সুযোগ প্ৰদানৰ লক্ষ্যৰে তেওঁলোকক গ্ৰাম্য ৰাজহুৱা পৰিবহন সেৱাৰ সৈতে জড়িত কৰিবলৈ প্ৰয়াস কৰিছে। এই প্ৰয়াসৰ আধাৰত আজীৱিকা গ্ৰামীণ এক্সপ্ৰেছ যোজনাৰ জৰিয়তে প্ৰায় ৪ কোটি টকা ব্যয়েৰে ১০ খন জিলাৰ ১৫ টা উন্নয়ন খণ্ড সামৰি ৫১ খন ব্যৱসায়িক বাহনৰ সেৱা আৰম্ভ কৰাৰ পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই বাহনসমূহে দুৰ্গম গাঁৱৰ সৈতে বজাৰ, শিক্ষানুষ্ঠান আৰু চিকিৎসালয় আদিৰ যোগাযোগ সুচল কৰিব। আজি শুভাৰম্ভ কৰা আঁচনিখনে ৫১ টা ক্লাষ্টাৰ লেভেল ফেডাৰেশ্যনক উপকৃত কৰিব। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এখন ৰাজ্যই বিকাশ আৰু প্ৰগতিৰ দিশত আগবাঢ়ি যোৱাত মহিলাসমাজে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সেয়ে মহিলা সবলীকৰণৰ দিশত সৰ্বাধিক গুৰুত্ব আৰোপ কৰি বহুকেইখন গুৰুত্বপূৰ্ণ আঁচনি গ্ৰহণ কৰিছে। অৰুণোদয়, নিযুত মইনা, পঞ্চায়তত মহিলাৰ বাবে আসন সংৰক্ষণ, মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান আদিৰ কথা উল্লেখ কৰি তেওঁ কয়— 'আমি বিচাৰিছোঁ পৰিয়ালসমূহত যাতে মহিলাসকলৰ মন্তব্যকো গুৰুত্বসহকাৰে লোৱা হয়। মহিলা সবলীকৰণৰ জৰিয়তেহে এয়া সম্ভৱ হৈ উঠিব। ৰাজ্য চৰকাৰৰ বিভিন্ন প্ৰচেষ্টাৰ ফলত আজি এচাম নতুন মহিলা সমাজলৈ আগবাঢ়ি আহিছে যিসকল সমাজৰ আদৰ্শৰূপে পৰিগণিত হৈছে।' মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে জীৱিকা সখীসকলৰ প্ৰচেষ্টাৰ ফলতেই ৰাজ্যত প্ৰায় ৪০ লাখ মহিলাই আত্মসহায়ক গোটৰ সৈতে জড়িত হৈ পৰিছে আৰু বিভিন্ন উৎপাদনমুখী কাম-কাজত জড়িত হৈছে। তেওঁ সদৰী কৰে যে বিগত সময়চোৱাত ৰাজ্যৰ প্ৰায় ৩ লাখ আত্মসহায়ক গোটে ৫৫৬ কোটি টকাৰ ঘূৰ্ণীয়মান পুঁজি লাভ কৰিছে আৰু প্ৰায় ২ লাখৰো অধিক আত্মসহায়ক গোটে ১,০৮৯ কোটি টকাৰ সামূহিক বিনিয়োগ পুঁজি লাভ কৰাৰ লগতে প্ৰায় ৭.৫০ লাখ আত্মসহায়ক গোটে প্ৰায় ১৬ হাজাৰ কোটি টকাৰ বেংকৰ ঋণ লাভ কৰিবলৈ সক্ষম হৈছে। এয়া এক ডাঙৰ সফলতা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ঋণ হিচাপে লাভ কৰা ১৬ হাজাৰ কোটি টকাৰ ৯৯ শতাংশ ধনেই আত্মসহায়ক গোটৰ মহিলাসকলে বেংকসমূহক ওভতাই দিবলৈ সমৰ্থ হৈছে। ৰাজ্যৰ আৰ্থিক ক্ষেত্ৰত ৰূপান্তৰৰ সূচনা কৰি সম্প্ৰতি ৮.৮২ লাখ গৰাকী মহিলা উদ্যোগী 'লাখপতি বাইদেউ'ৰ শাৰীলৈ উন্নীত হৈছে বুলিও তেওঁ সদৰী কৰে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে আত্মসহায়ক গোটৰ সৈতে জড়িত মহিলাসকলক লাখপতি বাইদেউৰ শাৰীলৈ উন্নীত কৰাৰ বাবে গ্ৰহণ কৰা প্ৰচেষ্টাৰ আধাৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান শুভাৰম্ভ কৰা হৈছে। এই অভিযান সফল কৰি তোলাৰ দিশত জীৱিকা সখীসকলে উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে জীৱিকা সখীসকলে মুখ্যমন্ত্ৰী উদ্যমিতা অভিযানৰ অধীনত এইবাৰ ১৫ হাজাৰ টকা লাভ কৰাৰ বিপৰীতে অহা বৰ্ষত ৪০ হাজাৰ টকাকৈ লাভ কৰিব। এই ধনৰাশিৰ ২০ হাজাৰ টকা ৰাজ্য চৰকাৰে আৰু অৱশিষ্ট ২০ হাজাৰ টকা বেংকৰ জৰিয়তে ঋণ হিচাপে আগবঢ়োৱা হ'ব। এই ঋণৰ সুদ চৰকাৰে বহন কৰিব বুলিও তেওঁ ঘোষণা কৰে। ভাষণত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ৰাজ্যত প্ৰায় ১৯ হাজাৰ জীৱিকা সখী, কৃষি সখী আদিকে ধৰি আন কমিউনিটি কেডাৰ আছে। ইয়াৰে প্ৰায় ৫ হাজাৰ জীৱিকা সখীৰ তিনিটাকৈ অধিক সন্তান থকাৰ বাবে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানত অন্তৰ্ভুক্ত কৰিব পৰা হোৱা নাই বুলি মন্তব্য কৰি তেওঁ কয়— 'এই কমিউনিটি কেডাৰসকল হৈছে সমাজৰ আদৰ্শস্বৰূপ। সেয়ে তেওঁলোকে সন্তানৰ সংখ্যা সীমিত ৰাখি উপযুক্ত শিক্ষাৰ ব্যৱস্থা কৰা আদিৰ দিশতো বিশেষ গুৰুত্ব আৰোপ কৰিব লাগিব। আমাৰ জীৱিকা সখীসকল সকলোতে মূলাগাভৰু হ'ব লাগিব। আমি বিচাৰিছোঁ, প্ৰতিটো পৰিয়ালত যিকোনো সিদ্ধান্ত লোৱাৰ সময়ত যাতে মহিলাসকলে নিজৰ অভিমত দাঙি ধৰিব পাৰে।' ভাষণত মুখ্যমন্ত্ৰীয়ে বাল্য বিবাহ ৰোধৰ দিশতো গুৰুত্ব প্ৰদান কৰিবলৈ জীৱিকা সখীসকলক আহ্বান জনায়। অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে যিসকল জীৱিকা সখীয়ে বিভিন্ন কাৰণত এতিয়ালৈকে অৰুণোদয় আঁচনিৰ সুবিধা লাভ কৰা নাই, তেনে প্ৰতিগৰাকী মহিলাকে আঁচনিখনৰ সুবিধা পোনপটীয়াকৈ প্ৰদান কৰা হ'ব আৰু তেওঁলোকে আঁচনিখনৰ অধীনত প্ৰতিটো ৰন্ধন গেছৰ চিলিণ্ডাৰৰ বাবদ ২৫০ টকাৰ ৰাজসাহায্যও লাভ কৰিব। তেওঁ লগতে ৰাজ্যিক জীৱিকা অভিযানৰ অধীনত স্কুটাৰ লাভ কৰা সকলো কমিউনিটি কেডাৰক হেলমেট পৰিধান কৰিহে বাহনসমূহ চলাবলৈ আহ্বান জনায় আৰু কয় যে এতিয়াৰে পৰা কমিউনিটি কেডাৰৰ সকলো 'সখী'য়ে সমান সা-সুবিধা লাভ কৰিব। এই অনুষ্ঠানত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, পৰিবহন আদি বিভাগৰ মন্ত্ৰী যোগেন মহন, বৈদেশিক পৰিক্ৰমা মন্ত্ৰণালয়ৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটা, সাংসদ বিজুলী কলিতা মেধি, বিধায়ক অতুল বৰা, সিদ্ধাৰ্থ ভট্টাচাৰ্য, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, নৱ কুমাৰ দলে, ধৰ্মেশ্বৰ কোঁৱৰৰ উপৰি মুখ্য সচিব ড° ৰবি কোটা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অতিৰিক্ত মুখ্য সচিব বি কল্যাণ চক্ৰৱৰ্তী, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কুন্তলমণি শৰ্মা বৰদলৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা শীৰ্ষ বিষয়া উপস্থিত থাকে।

# হোজাইত অসমৰ মুখ্যমন্ত্ৰীয়ে 'মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি'ৰ ৩১,৯১০ গৰাকীক চেক প্ৰদান

খেলপথাৰত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনি হোজাই সমষ্টিৰ মহিলা গোটৰ সদস্যাসকলক প্ৰদান কৰা পাচত ডবকাকালৈ ৰাওনা হয়। ডবকাত উপস্থিত অসমৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীয়ে ডবকা চহৰত ৬ নং ৱাৰ্ডত উপস্থিত হৈ নৱ-নিৰ্মিত গীতাশ্ৰম শুভ উদ্বোধন কৰাৰ লগতে গোপাল মন্দিৰত উপস্থিত হৈ আশীৰ্বাদ গ্ৰহণ কৰে। উল্লেখ্য যে, যোৱা ২০২৩ চনৰ ২৩ জানুৱাৰী তাৰিখে নৱনিৰ্মিত মন্দিৰ আৰু গীতা আশ্ৰমৰ দ্বাৰ উদ্বোধন কৰিছিল মাজুলীৰ আউনী আটি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামীয়ে। অসমৰ মুখ্যমন্ত্ৰী গৰাকী উপস্থিত হৈ নৱনিৰ্মিত মন্দিৰত উপস্থিত হৈ পূজা অৰ্চনা কৰে। মুখ্যমন্ত্ৰী গৰাকীক কাষত পাই ডবকাৰ ৰাইজ উৎফুল্লিত হৈ পৰে আৰু মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰে। উক্ত অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ লগত উপস্থিত থাকে হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাঁচা, বিধায়ক ক্ৰমে ৰামকৃষ্ণ ঘোষ আৰু শিবু মিশ্ৰ, জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী সহ কেইবাজনো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ইয়াৰ পাছতে হোজাইত সাগৰ বস্তিত স্থাপন কৰা ৰবীন্দ্ৰ নাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ নৱ নিৰ্মিত ভৱন অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানৰ আৰম্ভতে মুখ্যমন্ত্ৰীজনে বিশ্ববিদ্যালয় চৌহদত এটি গছপুলি ৰোপণ কৰি অনুষ্ঠান আৰম্ভ কৰে। এই চৌহদ উন্মোচনী অনুষ্ঠানত শিক্ষামন্ত্ৰী ড° ৰনোজ পেগু, লগতে সাংসদ কামাখ্যা প্ৰসাদ তাছা, কৃপানাথ মল্লা, অসমৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ মন্ত্ৰী তথা হোজাইৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত, হোজাই আৰু লামডিং সমষ্টিৰ বিধায়ক, হোজাইৰ প্ৰাক্তন বিধায়ক শীলাদিত্য দেৱ, হোজাই জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী আদি কৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ উপাধ্যক্ষ ড° মানৱেন্দ্ৰ দেৱ চৌধুৰী আদৰণী ভাষণ প্ৰদান কৰাৰ পিছত বিশ্ববিদ্যালয়খনৰ বাৰ্ষিক প্ৰতিবেদন, আৰু ইতিহাস বিভাগৰ এখন গ্ৰন্থ মুখ্যমন্ত্ৰীজনে আনুষ্ঠানিকভাৱে উন্মোচন কৰে।

ইয়াৰ পিছতে নিজৰ ভাষণত অসমৰ শিক্ষামন্ত্ৰীজনে উন্মোচন হোৱা এই চৌহদ আনুমানিক ৫৫ কোটি টকা ব্যয় কৰি নিৰ্মাণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। উন্মোচনী ভাষণত মুখ্যমন্ত্ৰীয়ে ২০১৬ চনত মই এই বিশ্ববিদ্যালয় স্থাপন কৰাৰ প্ৰতিশ্ৰুতি দিছিলোঁ আৰু নিৰ্মাণ কৰি উন্মোচন কৰিবলৈ পায় আনন্দিত হৈছোঁ বুলি কয়। লগতে মুখ্যমন্ত্ৰী গৰাকীয়ে ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ আন এক স্থানত বিদ্যালয় গৃহ নিৰ্মাণ কৰা বাবে ৫০ কোটি টকা আগবঢ়োৱা হ'ব বুলি ঘোষণা কৰে। মুখ্যমন্ত্ৰীৰ সৈতে সকলো কাৰ্যসূচীতে হোজাই জিলাৰ অভিভাৱক মন্ত্ৰী কেশৱ মহন্ত, সাংসদ কামাখ্যা প্ৰসাদ তাঁচা, বিধায়ক ক্ৰমে ৰামকৃষ্ণ ঘোষ, শিবু মিশ্ৰ, অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ন বৰ্ডৰ অধ্যক্ষ শিলাদিত্য দেৱ, লগতে জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীসহ কেইবাজনো উপস্থিতি উল্লেখযোগ্য। লক্ষ্যণীয় বিষয় হোজাই জিলা সদৰ শ্ৰীমন্ত শঙ্কৰদেৱ নগৰৰ খেলপথাৰত অনুষ্ঠিত চেক বিতৰণ কাৰ্যসূচীত হোজাই সমষ্টিৰ ৩১,৯১০গৰাকী মহিলা বিশেষ আসন ব্যৱস্থা আৰু তেওঁলোকৰ অহা-যোৱা যাতায়াতৰ ব্যৱস্থা, লগতে পানী আৰু লঘু আহাৰৰ পেকেট আসনতে যোগান ধৰা উপৰিও মুখ্যমন্ত্ৰী ছয়খন প্ৰতিফলিত চেক প্ৰদানৰ পাছতেই সকলো মহিলাক আসনতে দহ হেজাৰ টকা চেক প্ৰদান হাতে হাতে লগে লগে প্ৰদান কৰা কাৰ্যক উপস্থিত সকলো মহিলাই শলাগ লয়। হোজাই জিলা প্ৰশাসনৰ আয়ুক্ত লগতে অতিৰিক্ত আয়ুক্ত-আয়ুক্তা ও জিলাখনৰ কাৰ্যবাহী বিষয়া লগতে বিভিন্ন বিভাগৰ বিষয়াসকলৰ প্ৰচেষ্টাত মুখ্যমন্ত্ৰীৰ হোজাই জিলা চৰকাৰী এই বৃহৎ কাৰ্যসূচী সুচাৰুৰূপে সম্পন্ন কৰা বাবে সকলোৱে শলাগ লোৱা পৰিলক্ষিত।

# অসমৰ উদ্যোগীকৰণৰ বিকাশৰ বাবে গুৱাহাটীত আৰম্ভ হৈছে আগশাৰীৰ

বিষয়া আৰু মুখ্য প্ৰশিক্ষকশ্ৰীলাইৰেন জামনিৰঞ্জন সিংএ, আৰু একচনকোচ (ভাৰত আৰু মধ্যপ্ৰাচ্য)ৰ কান্ট্ৰিমেনেজাৰ শ্ৰীশোভিত যাদৱ অনুষ্ঠানত মাননীয় অতিথি হিচাপে উপস্থিত আছিল বিশিষ্ট ষ্টাৰ্ট-আপ আৰু উদ্যোগী প্ৰশিক্ষক ড° শ্ৰীপৰ্ণা বৰুৱা।

বিশ্বৰ ব্যৱসায় প্ৰশিক্ষণ উদ্যোগে বৰ্তমান বছৰি ৪.৫৬৪ বিলিয়ন ডলাৰৰ ব্যৱসায় কৰিছে আৰু ২০২৫ চনৰ ভিতৰত ই ৭.২১ বিলিয়ন ডলাৰত উপনীত হোৱাৰ পূৰ্বাভাস দিয়া হৈছে। অসমত একচনকোচৰ আগমণে উত্তৰ-পূৰ্বাঞ্চলৰ এছ এ মই, ষ্টাৰ্টআপ আৰু ব্যৱসায়ী নেতাসকলক বিশ্বব্যাপী স্বীকৃতিপ্ৰাপ্ত সঁজুলিৰ সুবিধা প্ৰদান কৰিব বুলি আশা কৰা হৈছে, এনে সময়ত যেতিয়া ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলক এক্ট ইষ্ট নীতিৰ অধীনত বাণিজ্য আৰু বিনিয়োগৰ প্ৰৱেশদ্বাৰ হিচাপে প্ৰতিষ্ঠা কৰা হৈছে। গুৱাহাটীত একচনকোচ আৰম্ভ কৰাৰ আঁৰৰ দৃষ্টিভংগীৰ বিষয়ে ব্যাখ্যা কৰি একচনকোচ উত্তৰ-পূৰ্বভাৰতৰ মুখ্যকাৰ্যবাহী বিষয়া আৰু মুখ্য প্ৰশিক্ষক, শ্ৰীলাইৰেম নিৰঞ্জন সিঙেকয়, 'গুৱাহাটীত একচনকোচ আৰম্ভ কৰাটো কেৱল ব্যৱসায়ক প্ৰশিক্ষণ দিয়াই নহয়; ই অসম আৰু উত্তৰ-পূবত এটা উদ্যোগীক আন্দোলন গঢ় দিয়া আমাৰ এটা প্ৰচেষ্টা। আমাৰ লক্ষ্য হৈছে ব্যৱসায়ৰ মালিকসকলক এনে উদ্যোগ সৃষ্টি কৰাত সহায় কৰা যিয়ে তেওঁলোকৰ বাবে স্থায়ী লাভৰ সৃষ্টি কৰে, শক্তিশালী কৰ্মশক্তি দল গঠন কৰে আৰু এই অঞ্চলত সুযোগৰ জোৱাৰ সৃষ্টি কৰে।'

এই উদ্বোধনৰ জৰিয়তে একচনকোচএ কেৱল ইয়াৰ বিশ্বব্যাপী মিছন "World Abundance Through Business Re-Education"ক শক্তিশালী কৰাই নহয়, অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ব্যৱসায়ৰ মুখামুখি হোৱা গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বানসমূহৰ সমাধানো কৰে। MSME মন্ত্ৰণালয়ৰ (বাৰ্ষিক প্ৰতিবেদন ২০২৩-২৪) মতে, ভাৰতৰ ৮০ তকৈ অধিক সৰু ব্যৱসায় নগদ প্ৰৱাহৰ দুৰ্বল ব্যৱস্থাপনা, গঠনমূলক ব্যৱস্থাৰ অভাৱ আৰু প্ৰতিভা ধৰি ৰখাৰ সমস্যাৰ সৈতে সংগ্ৰাম কৰে, যাৰ ফলত প্ৰথম পাঁচ বছৰৰ ভিতৰতে ব্যৰ্থতাৰ হাৰ অধিক হয়। অসমত, য'ত MSME-এ প্ৰায় ৭ লাখ উদ্যোগ গঠন কৰে আৰু ৩০ লাখতকৈ অধিক লোকৰ জীৱিকা প্ৰদান কৰে (অসম চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য সঞ্চালকালয়, ২০২৩), এই প্ৰত্যাহ্বানসমূহ বিশেষভাৱে জটিল।

একচনকোচৰ বিশ্বব্যাপী প্ৰমাণিত ৬টা পদক্ষেপৰ ব্যৱসায় নিপুণতা আৰু ৫টা উপায়ৰ লাভ বৃদ্ধিৰ কাঠামোৱে ব্যৱসায়ৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহক প্ৰত্যক্ষভাৱে সমাধান কৰে। ই তৰলতা উন্নত কৰিবলৈ শক্তিশালী নগদ প্ৰৱাহ কৌশল সৃষ্টি কৰে, মালিকৰ ওপৰত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ পদ্ধতিগত পৰিচালনা ব্যৱস্থা প্ৰণয়ন কৰে আৰু ধাৰাবাহিক লাভ নিশ্চিত কৰিবলৈ ফলপ্ৰসূ বিক্ৰী, বিপণন আৰু দলৰ সংগঠন পৰিকল্পনা গঢ়ি তোলে। ইয়াৰ উপৰিও, একচনকোচ-এ ব্যক্তিগত একান্তিক প্ৰশিক্ষণ আৰু গোট প্ৰগ্ৰাম প্ৰদান কৰে, যাৰ ফলত ব্যৱসায়ৰ বৃদ্ধি কেৱল জুখিব পৰা নহয়, স্থায়ীও হয়।

১৯৯৩ চনত উদ্যোগী ব্ৰেড ছুগাৰ্ছৰ দ্বাৰা প্ৰতিষ্ঠিত একচনকোচএ বিশ্বব্যাপী ১,০০০ৰো অধিক ফ্ৰেঞ্চাইজী অংশীদাৰলৈ সম্প্ৰসাৰিত হৈছে আৰু ইয়াৰ প্ৰমাণিত কাঠামোৰ জৰিয়তে লাভজনকতা, নেতৃত্ব বৃদ্ধিৰ ক্ষেত্ৰত হাজাৰ হাজাৰ ব্যৱসায়ক ৰূপান্তৰিত কৰিছে। বিশ্বৰ শ্ৰেষ্ঠ পদ্ধতিসমূহক অসমৰ স্থানীয় উদ্যোগী উদ্যমৰ সৈতে সংযোজন কৰি, একচনকোচএ অসমৰ ব্যৱসায়সমূহৰ বৃদ্ধি, সম্প্ৰসাৰণ আৰু প্ৰতিযোগিতাৰ ধৰণক ৰূপান্তৰিত কৰিবলৈ সাজু হৈছে, গুৱাহাটীক উত্তৰ-পূৰ্বাঞ্চলীয় ভাৰতৰ উদ্যোগী সফলতাৰ নতুন কেন্দ্ৰ হিচাপে প্ৰতিষ্ঠা কৰিছে। বিতং তথ্যৰ বাবে যোগাযোগ কৰক- সুনিতি কে ভট্টাচাৰ্য, ম'বাইল নং ঃ ৯৮১৮৪২৩১৪৮।

# দুখীয়া আৰু মধ্যবিত্ত শ্ৰেণীৰ সকাহৰ

কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত লাভ কৰা ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজিৰ ধন উৎপাদনমূলক কাম-কাজত ব্যৱহাৰ কৰি নিজকে আৰ্থিকভাৱে স্বাৱলম্বী কৰি গঢ়ি তোলাৰ লগতে পৰিয়ালৰ বিকাশৰ দিশত সহায়ৰ হাত আগবঢ়াবলৈ উদ্যমী মহিলাসকলক আহ্বান জনায়। তেওঁ কয় যে মহিলাসকলে এই ধনৰাশি নিজাববীয়াকৈ কোনো উৎপাদনশীল কামত ব্যৱহাৰ কৰিব পাৰে নতুবা আত্মসহায়ক গোটৰ অন্যান্য মহিলাসকলৰ সৈতে সমুহীয়াভাৱে এই পুঁজি ব্যৱহাৰ কৰি বাণিজ্যিক কাম-কাজ চলাব পাৰিব। উদ্যমী মহিলাগৰাকীয়ে যদি ইচ্ছা কৰে তেন্তে এই পুঁজি নিজ পৰিয়ালৰ কোনো সদস্যৰ ব্যৱসায়তো ব্যৱহাৰ কৰিব পাৰে বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে উদ্যমিতা পুঁজি আগবঢ়োৱাৰ প্ৰক্ৰিয়া ইয়াতেই সমাপ্ত নহয়। অহা বছৰ ৰাজ্য চৰকাৰে এই ১০ হাজাৰ টকাৰ উদ্যমিতা পুঁজি মহিলাসকলে কিধৰণৰ কামত ব্যৱহাৰ কৰিছে সেই সন্দৰ্ভত এক সমীক্ষা চলাব আৰু সেই ধনৰ সঠিক ব্যৱহাৰ হ'লে মহিলাগৰাকীয়ে পুনৰ ২৫ হাজাৰ টকা লাভ কৰিব। এই ২৫ হাজাৰ টকাৰ ১২,৫০০ টকা ৰাজ্য চৰকাৰে আৰু অৱশিষ্ট ১২,৫০০ টকা বেংকৰ জৰিয়তে প্ৰদান কৰা হ'ব। তেওঁ কয় যে এই পুঁজিৰো সৎব্যৱহাৰ হ'লে চৰকাৰে পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকা প্ৰদান কৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে মুঠ তিনিটা পৰ্যায়ত আত্মসহায়ক গোটৰ মহিলাসকলে ৮৫ হাজাৰ টকা লাভ কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ আজি উদ্যমিতা পুঁজিৰ চেক লাভ কৰা মহিলাসকলক এই ধন অনুৎপাদনমূলক কামত ব্যৱহাৰ নকৰিবলৈ আহ্বান জনায়। তেওঁ নিশ্চিতি প্ৰদান কৰে যে মহিলাসকলে প্ৰাৰম্ভিক পুঁজি হিচাপে লাভ কৰা এই ১০ হাজাৰ টকা সৎব্যৱহাৰ কৰিলে পৰৱৰ্তী পৰ্যায়ৰ ধনৰাশি লাভ কৰিবই। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে কয় যে অহা ১৭ ছেপ্টেম্বৰৰ পৰা অৰুণোদয় ৩.০ ৰূপায়ণৰ কাম ৰাজ্য চৰকাৰে আৰম্ভ কৰিব।




Janasanyog RO no 1904/25/5-September-25

# শ্ৰীশ্ৰী মাধৱদেৱ কলাক্ষেত্ৰৰ সমন্বয়ৰ নিদৰ্শন শিমলুগুৰিত ‘ৰুক্মিনী হৰণ’ প্ৰদৰ্শনেৰে কৰ্মশালাৰ সামৰণি



**বিতোপন গগৈ, শিমলুগুৰি ঃ** অসমীয়া সংস্কৃতিৰ বৰ ভেঁটি গঢ়োতা মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অপৰিসীম অৱদানক যুগে যুগে নৱপ্ৰজন্মক পৰিচয় কৰি দিয়াৰ দায়িত্ব সৰ্বজন ব্যক্তিৰ ওপৰত ন্যস্ত। বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয়ৰ চেতনা জাগ্ৰত কৰি সংস্কৃতিৰ বোঁৱতী স্মৃতি প্ৰৱাহিত কৰি তোলাৰ ক্ষেত্ৰত শ্ৰীশ্ৰী শংকৰদেৱ কলাক্ষেত্ৰ সমাজ আৰু নাৰায়াণপুৰস্থিত শ্ৰীশ্ৰীমাধৱদেৱ কলাক্ষেত্ৰৰ ভূমিকা সকলোৰে সমাদৃত। বৰনাৰায়ণপুৰৰ জনগোষ্ঠীয় এলেকাত সত্ৰীয়া সংগীত আৰু অংকীয়া ভাওনাৰ প্ৰথম পৰ্যায়ত মিচিং, দেউৰী, বড়ো আৰু গোৰ্খা জনগোষ্ঠীৰ মাজত অনুষ্ঠিত হয়। সন্ধিয়া ৫ বজাত শিমলুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত গোবিন্দপুৰ গাঁৱৰ বড়ো জনগোষ্ঠীৰ ৰাইজৰ লগতে দাঁতিকাষৰীয়া সাংস্কৃতিক গ্ৰীষ্মকালীন প্ৰশিক্ষাৰ্থীসকলৰ কঠোৰ অনুশীলনৰ অন্ততঃ ‘ৰুক্মিনী হৰণ’ ভাওনাখনি সুন্দৰভাৱে প্ৰদৰ্শন কৰে। স্নিগ্ধাৰাণীয়ে আঁত ধৰা মননশীল কাৰ্যক্ৰমৰ আৰম্ভণিতে বন্তি প্ৰজ্বলন কৰে বয়োজ্যেষ্ঠ ব্যক্তিসকলে। গোবিন্দপুৰৰ যুৱক-যুৱতী তথা আইসকলে বৰগীত পৰিৱেশন কৰাৰ পিছতেই কৃষ্ণ নৃত্য, ঝুমুৰা নৃত্য, মাটি আখৰা, গায়ন-বায়ন আদি প্ৰশিক্ষাৰ্থীসকলে প্ৰদৰ্শিত কৰে। বৰবায়ন লোকেশ্বৰ পাঠকে উদ্বোধন কৰা অনুষ্ঠানটিত আদৰণি ভাষণ প্ৰদান কৰে কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে। উক্ত অনুষ্ঠানত উপস্থিত থাকে ক্ৰমে চন্দ্ৰ হাজৰিকা, বিষ্ণু গোস্বামী, মিত্ৰদেৱ মহন্ত, কানাই গগৈ, ধ্ৰুৱজ্যোতি শইকীয়া, প্ৰফুল্ল দৈমাৰী, বিতোপন গগৈ, ৰূপজ্যোতি বড়ো, অমূল্য মূদৈ, ৰাজীৱ বৰুৱা, নামঘৰীয়া দেৱ স্বৰ্গীয়াৰী, হৰকান্ত বসুমতাৰী। দিলীপ ফুলগুৱাৰী আৰু ইন্দ্ৰেশ্বৰ নাৰ্জাৰীৰ লগতে সহযোগীসকলৰ অশেষ প্ৰচেষ্টা আৰু প্ৰশিক্ষকসকলৰ যত্নত প্ৰাণ পাই উঠা ‘ৰুক্মিণী হৰণ’ নাটৰ ভাৱৰীয়া সকল আছিল ক্ৰমে সূত্ৰ যোগমায়া স্বৰ্গীয়াৰী, কৃষ্ণ ভাগ্যশ্ৰী বসুমতাৰী, বেদনেধি অনিতা স্বৰ্গীয়াৰী, ভীষ্মক ৰজা মুনমুন ৰাজবংশী, ৰুক্মবীৰ ডিম্বেশ্বৰী স্বৰ্গীয়াৰী, ৰাণী পূজা ঠাকুৰীয়া, ৰুক্মিনী ৰিমঝিম বসুমতাৰী, শিশুপাল মিতালী ৰাজবংশী, জৰাসন্ধ প্ৰণয় ৰাজবংশীৰ লগতে অন্যান্য ভাৱৰীয়া সকল আছিল ক্ৰমে পিনাকী, ভূমিকা, নিষ্ঠা, ৰশ্মি, বিপ্লমা, শ্ৰুতিপ্ৰিয়া, লক্ষ্যজিৎ, নেনা, কুইন, চয়নিকা, লুকুমণি, জিনা, জ্যোৎস্না, ইষ্টাৰ, অৰ্চিতা, লেখিকা, লক্ষী, জানমণি, সত্যজিৎ, ভাৰতী, দীপালিকা, জয়ালক্ষী, কৰৱীয়ে। নাটখনিৰ পৰিচালনা কৰে দাদু দত্ত, বিকাশ নেওগ, পৰাগ শইকীয়া আৰু ধিৰাজ বৰাই।

# ২০২৫-২৬ বৰ্ষৰ বাবে শুৱালকুছি সাতোঁৰ প্ৰশিক্ষণ কেন্দ্ৰৰ নতুন সমিতি গঠন

**প্ৰবীণ কুমাৰ দাস, শুৱালকুছি ঃ** শুৱালকুস্থিত সোণেশ্বৰ আতৈ সাতোঁৰ প্ৰশিক্ষণ কেন্দ্ৰৰ ২০২৪-২৫ বৰ্ষৰ বাৰ্ষিক সাধাৰণ সভাখন ২৪ আগষ্টত শুৱালকুছিৰ গড়কাপ্তানি বিভাগৰ পৰিদৰ্শন বঙলাত অনুষ্ঠিত হয়। অনুষ্ঠানৰ কাৰ্যকৰী সভাপতি ডাঃ কাৰ্ত্তিক চন্দ্ৰ মেধিৰ সভাপতিত্বত অনুষ্ঠিত হোৱা বাৰ্ষিক সভাত উদ্দেশ্য বাখ্যা কৰাৰ লগতে বাৰ্ষিক কাৰ্য বিৱৰণী আৰু সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে ভাৰপ্ৰাপ্ত সম্পাদক দিলীপ মেধিয়ে। সভাত বাৰ্ষিক হিচাব পুংখানুপুংখভাৱে দাঙি ধৰে আভ্যন্তৰীণ হিচাব পৰীক্ষক অনিল চন্দ্ৰ বৈশ্য আৰু হেমন্ত কলিতাই। ইয়াৰ পিছতে পুৰণা সমিতিৰ হকে কাৰ্যকৰী সভাপতি ডাঃ কাৰ্ত্তিক চন্দ্ৰ মেধিয়ে পদত্যাগ কৰি পৰৱৰ্তী বছৰৰ বাবে এখন নতুন পৰিচালনা সমিতি গঠন কৰে। নতুন সমিতিৰ সভাপতি মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত হেমন্ত চৌধুৰী, কাৰ্যকৰী সভাপতি ডাঃ কাৰ্ত্তিক চন্দ্ৰ মেধি, উপ-সভাপতি মুখ্যমন্ত্ৰীৰ সহায়ক দিগন্ত শৰ্মা, বলেন ৰাজবংশী, অনিল চন্দ্ৰ বৈশ্য, সাধাৰণ সম্পাদক দিলীপ মেধি, সহকাৰী সম্পাদক জয়ন্ত বৈশ্য, গৌতম বৈশ্য, কোষাধ্যক্ষ ভূপেন কলিতা, কাৰিকৰী সদস্য হিচাবে পংকজ ভাৰালী, সদস্য হিচাৱে ৰমেন কলিতা, লোহিত বৈশ্য, নাৰায়ণ নাথ, ৰঞ্জন বৰুৱা, ভৱেশ দাস । উপদেষ্টা হিচাবে দেবেন্দ্ৰ নাথ কাকতি, ধীৰাজ মহন্ত, প্ৰাণজিৎ দাস, দুলুমণি দাস, প্ৰেমদা ডেকা আৰু মিতালী দাস আৰু হিচাব পৰীক্ষক হেমন্ত কলিতাক নিৰ্বাচিত কৰা হয়। সভাত আগন্তুক বৰ্ষৰ বাবে গুৰুত্বপূৰ্ণ পাচঁটা প্ৰস্তাৱ গ্ৰহণ কৰা হয়।








# নদুৱাৰ সমষ্টিৰ ধলাইবিল ক্ৰীয়া সন্থাৰ উদ্যোগত চূড়ান্ত ফুটবল খেলৰ শুভ উদ্বোধন বিধায়ক পদ্ম হাজৰিকাৰ

## ১-০ গলৰ ব্যৱধানত চাৰিদুৱাৰ এডভাইচ ফুটবল দলৰ জয়লাভ



**চন্দন শৰ্মা, তেজপুৰ ঃ** নদুৱাৰ সমষ্টিৰ অন্তৰ্গত ধলাইবিল ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত হোৱা ২০২৫ বৰ্ষৰ জিলা পৰ্যায়ৰ ট্ৰফী ও প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ দেওবাৰে বিয়লি উত্তৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা চূড়ান্ত খেলখনৰ শুভ উদ্বোধন কৰে নদুৱাৰ সমষ্টিৰ জনপ্ৰিয় বিধায়ক তথা ভৰলীকোঁৱৰ উপাধিৰে বিভূষিত পদ্ম হাজৰিকাই। উক্ত উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীয়ে তেখেতৰ ভাষণ প্ৰসংগত কয় যে - ধলাইবিল ক্ৰীড়া সন্থাৰ উদ্যোগত আয়োজিত কৰা জিলা পৰ্যায়ৰ ফুটবল প্ৰতিযোগিতাখনৰ উত্তৰ জামুগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শুভ উদ্বোধন কৰি আনন্দ অনুভৱ কৰিছোঁ। চূড়ান্ত খেলখনত চাৰিদুৱাৰ এডভাইচ ফুটবল ক্লাব বনাম চেঙামাৰি ফুটবল ক্লাব দুয়ো দলৰ প্ৰদৰ্শনত এজন ফুটবল অনুৰাগী ৰূপে সুখী হওঁ। উক্ত উদ্বোধনী অনুষ্ঠানত বিধায়কগৰাকীৰ লগত সংগ দিয়ে ভাৰতীয় জনতা পাৰ্টীৰ শোণিতপুৰ জিলাৰ জিলা সভানেত্ৰী মধুস্মিতা হাজৰিকা ডেকা, শোণিতপুৰ জিলা পৰিষদৰ উপ-সভাপতি হিতেশ বৰুৱা, ভাৰতীয় জনতা পাৰ্টীৰ শোণিতপুৰ জিলাৰ উপ-সভাপতি নিতুমনি বৰা, শোণিতপুৰ জিলা যুৱ মৰ্চাৰ উপ সভাপতি মাধুৰ্য্য বৰা, ক্ৰীড়া সন্থাৰ সংগঠক গৌতম লাহন, যুৱ সমাজকৰ্মী বুলু আহমেদ, দলৰ বিভিন্ন দায়িত্বত থকা বিষয়ববীয়াসকলৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। উক্ত চূড়ান্ত খেলখনত চাৰিদুৱাৰ এডভাইচ ফুটবল দলে ১-০ গ'লৰ ব্যৱধানত চেঙামাৰী ফুটবল দলক পৰাস্ত কৰি বিজয় লাভ কৰে। উক্ত বিজয়ী দলৰ শ্ৰেষ্ঠ খেলুৱৈক বিধায়কগৰাকীয়ে ট্ৰফী, প্ৰাইজমানি প্ৰদানৰে শুভেচ্ছা জ্ঞাপন কৰে।






স্বত্বাধিকাৰ প্ৰণতি বৰাৰ দ্বাৰা প্ৰকাশিত আৰু মুদ্ৰিত কুণ্ডিলনগৰ, হিড়িম্বাপুৰ পথ, ওদালবাক্ৰা, গুৱাহাটী-৩৪ৰ পৰা প্ৰকাশিত, অমৰজ্যোতি প্ৰিণ্টাৰ্চ (কমাৰ্চ কলেজৰ বিপৰীতফালে), গুৱাহাটী-৭৮১০৩৩ ত মুদ্ৰিত।
Owner, publisher & Printer Pranati Bora, Published from Kundil Nagar, Hirimbapur Path, Odalbakra, Guwahati-781034 &
Printed at Amarjyoti Printers (Opposite Commerce College), Guwahati- 781003, Editor : Pranati Bora
Website = https://www.asompravah.com/, E-mail : asompravah004@gmail.com, Mob : 70025-92810,

সহকাৰী কাৰ্যবাহী সম্পাদক ঃ পংকজ শইকীয়া
সম্পাদক ঃ প্ৰণতি বৰা